Content includes AI-generated material

## বিশ্বনাথৰ বাঘমাৰীত হস্তীদণ্ডীত ফেক্টৰী নিৰ্মাণ



বিতং বাতৰি ৮নং পৃষ্ঠাত

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 05, 2025 ■ বুধবাৰ, ২২ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪০ Guwahati, Assam ।। মূল্যঃ এটকা

## ব্যক্তিগত খণ্ডক টোকোলাই চাহ গৱেষণা কেন্দ্ৰ গতাই দিয়াৰ চক্ৰান্ত

# অসমৰ চাহ উদ্যোগক ধ্বংস কৰাৰ ষড়যন্ত্ৰ ৰচনা!



টোকোলাইৰ কেন্দ্ৰক লৈ সংসদত প্ৰশ্ন নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ

### ■ কেনিয়াৰ পৰা চাহপাতৰ আমদানি ২৮৮ শতাংশ বৃদ্ধি, প্ৰধানমন্ত্ৰীলৈ বিশেষ পত্ৰ প্ৰেৰণ 'এনইচিএছটিজিএ'-ৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ ফেব্ৰুৱাৰীঃ** অসমৰ চাহ উৎপাদনৰ ক্ষেত্ৰত জলবায়ু এক প্ৰধান হেঙাৰ হৈ পৰাৰ লগতে এতিয়া ভাৰতীয় চাহ পৰিষদৰ চৰম অনীহাৰ বাবে চাহপাতৰ উৎপাদন যথেষ্ট নিম্নগামী শেষাংশ ৪ পৃষ্ঠাত

## মহাকুম্ভত নিহত ১০০০! দাবী খাৰ্গেৰ

**নতুন দিল্লী, ৪ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ এক দাবীক লৈ ৩ পৃষ্ঠাত চাওক



## প্ৰধানমন্ত্ৰীৰ ভাষণত আকৌ গান্ধী-নেহৰু

**নতুন দিল্লী, ৪ জানুৱাৰীঃ** আকৌ এবাৰ নতুনত্বহীন কথাৰ দৰলেৰে সংসদত বিৰোধীক শেষাংশ ৬ পৃষ্ঠাত

## আমেৰিকাক চীনৰ প্ৰত্যুত্তৰ!

**বেইজিং, ৪ ফেব্ৰুৱাৰীঃ** আমেৰিকাৰ শুল্ক বৃদ্ধিৰ সিদ্ধান্তৰ ৬ পৃষ্ঠাত চাওক

### হাতে-কামে লাগিল ৰাষ্ট্ৰপতি ট্ৰাম্প

## বায়ু সেনাৰ বিমানত উঠাই অবৈধ ভাৰতীয়ক খেদিলে আমেৰিকাই



**ৱাশ্বিংটন, ৪ ফেব্ৰুৱাৰীঃ** নিৰ্বাচনী প্ৰতিশ্ৰুতি মতেই কাম! ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মাৰ্কিন ভূমিৰ পৰা নথি-পত্ৰবিহীন বহু শেষাংশ ৫ পৃষ্ঠাত

## বিতৰ্ক আৰু সাহিত্য সভা! দুয়ো দুয়োৰে লগৰীয়া

### নাজানে নিষ্ঠাৱান সাংবাদিকৰ সংজ্ঞা

**ই-সংবাদ বিশেষ, ৪ ফেব্ৰুৱাৰীঃ** পদ্মনাথ গোহাঞি বৰুৱা ঘূৰি অহা হ'লে অসম সাহিত্য সভাৰ সভাপতিক মাতি আনি নিশ্চয় সুধিলেহেতেন, ৫ পৃষ্ঠাত চাওক

### সাহিত্যক লৈয়ো নাই 'নলেজ'! লেখিকা চন্দনা পাঠকক চৰম অপমান সভাৰ




### প্ৰচণ্ড মাৰপিটত আহত কয়লা মাফিয়া ৰাকেশ

## লেখাপানীত কয়লাক লৈ দুই ফৈদৰ তীব্ৰ সংঘাত



**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত অবৈধ কয়লাৰ ব্যৱসায় কৰি কোৰোণাৰে ধন চপাই সন্ত্ৰাস চলাই আহিছে ৩ পৃষ্ঠাত

### প্ৰাক্তন বিজেপি নেতাৰ ঘৰতো অভিযান

## মুখ্যমন্ত্ৰীক চাহপাত উপহাৰ দিয়া ডিব্ৰুগড়ৰ চাহ ব্যৱসায়ীৰ ঘৰত ইডি





**ই-সংবাদ, গুৱাহাটী-যোৰহাট, ৪ ফেব্ৰুৱাৰীঃ** উজনি অসমৰ দুখন জিলাত মঙলবাৰে দুজনকৈ ৭ পৃষ্ঠাত চাওক

# ‘সভা’ৰ সভাত নাই মানুহ!

**৩১ জানুৱাৰীৰ** পৰা অনুষ্ঠিত অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ আজি অন্তিম দিন। সাহিত্য সভাৰ পাঠশালা অধিৱেশনত হাজাৰ হাজাৰ লোকে প্ৰতিদিনে ভিৰ কৰা পৰিলক্ষিত হৈছে। বিৰ দি বাট নোপোৱা অৱস্থা। বিজ্ঞান মেলা, গ্ৰন্থমেলা, মুখ্য তোৰণ, পতাক উত্তোলন কৰা ঠাইডোখৰ, কাঠেৰে কাটি তৈয়াৰ কৰা প্ৰতীকী গ্ৰন্থ, বাঁহ-বেতৰ শিল্প, ফাষ্ট ফুড দোকান এলেকা, ঘৰ সজোৱা বস্তু-বাহিনী ক্ৰয় কৰিবলৈ মানুহৰ হেতাওপৰা লাগিছে। কিন্তু অস্থায়ী বিশাল মঞ্চত কাৰ্যসূচী চলি থাকিলেও পেণ্ডেলত সময়ে সময়ে মানুহ পাবলৈ নাথাকে। আজি অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনত দিনৰ প্ৰায় ১২ বজাৰ পৰা ‘জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলন’ অনুষ্ঠিত হৈছিল। ‘জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলন’ত প্ৰায় ১৫ টাতকৈ অধিক জাতীয়-জনজাতীয় সংগঠনৰ নেতৃত্ব উপস্থিত আছিল। পৰিতাপৰ বিষয় এয়াই যে যুৱ সন্মিলন চলি থকাৰ সময়ত মঞ্চ যুৱ-ছাত্ৰ নেতাৰে ভৰি আছিল যদিও সন্মুখত পেণ্ডেলত বহা মানুহ আছিল অতি কাম। প্ৰথমাৱস্থাত প্ৰায় আঢ়ৈশ মান লোকহে উপস্থিত আছিল। দৃষ্টিকটুভাৱে মঞ্চত ইজনৰ পিছত সিজন যুৱ-ছাত্ৰ নেতাই ভাষণ দিছিল যদিও সন্মুখত মানুহৰ সংখ্যা কমি গৈ আছিল। পেণ্ডেলৰ সন্মুখ ভাগত কিছু সংখ্যক লোক উপস্থিত আছিল যদিও পিছফালৰ চকী প্ৰায় খালী হৈ আছিল। যুৱ সন্মিলনত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ উদয়ন গগৈ, নিখিল বড়ো ছাত্ৰ সন্থা, শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ দীপজ্যোতি শৰণীয়া, কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাকে ধৰি প্ৰায় ১৫টা সংগঠনৰ নেতা উপস্থিত থাকে। কিন্তু জাতীয় সংগঠনৰ নেতাৰ ভাষণ শুনিবলৈ মানুহৰ উপস্থিতি সেৰেঙা আছিল। সাহিত্য সভাৰ বিশাল মঞ্চৰ সন্মুখত বহা মানুহ কম যদিও বাকী প্ৰদৰ্শনী, বিপনী আদিত মানুহৰ সংখ্যা হ্ৰাস পোৱা নাই। উল্লেখ্য যে, ৰাজনৈতিক দলৰ প্ৰভাৱশালী নেতা মঞ্চত উপস্থিত থকা কাৰ্যসূচীত পেণ্ডেল ভৰি পৰে যদিও নেতাৰ গমনৰ পিছত মঞ্চত খালী হৈ পৰে। একাধিক বিতৰ্কৰে ভৰি পৰা অসম সাহিত্য সভাৰ এনে অৱস্থাৰ বাবে প্ৰকৃততে কোন দায়ী সেয়া সাহিত্য সভাৰ সৈতে জড়িতসকলে ভালকৈ ভাবি চোৱাৰ সময় আহি পৰিছে। অন্যাথা অনাগত দিনত সাহিত্য সভা অসমৰ ৰাইজৰ পৰা অধিক দূৰলৈ গুচি যাবলৈ বেছি সময়ৰ প্ৰয়োজন নহ’ব। কিয়নো নেতিবাচক প্ৰচাৰৰো এটা সময়সীমা থাকে।

# ডিপছিক'ক লৈ বিশ্বজুৰি ধুমুহা, মহা চিন্তাত আমেৰিকা

■ কণ বৰ্মন


**চীনা কোম্পানী** ডিপছিকে শেহতীয়াকৈ আলোড়নৰ সৃষ্টি কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰত। বিশ্ব প্ৰযুক্তি উদ্যোগত কৃত্ৰিম বুদ্ধিমত্তাৰ (এআই) বিকাশৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰা এই এপটোৱে জনপ্ৰিয়তাই স্তম্ভিত কৰিছে বহু প্ৰযুক্তি বিশেষজ্ঞ আৰু অৰ্থনীতিবিদক। ২০২৩ চনত চীনৰ দক্ষিণ-পূব চহৰ হাংঝোত প্ৰতিষ্ঠা হোৱা কোম্পানীটোৱে এআই চালিত এপটো আমেৰিকাৰ এপল এপ ষ্ট’ৰত সৰ্বাধিক ডাউনলোড কৰা বিনামূলীয়া এপসমূহৰ ভিতৰত অন্যতম হৈ পৰিছে। ডিপছিকৰ এনে অভুতপূৰ্ব জনপ্ৰিয়তাৰ মূলতে আছে তেওঁলোকৰ অতি কম খৰচী এআই প্ৰযুক্তিৰ সৃষ্টি। আমেৰিকাৰ আগশাৰীৰ এআই কোম্পানীসমূহে উন্নত এআই মডেল প্ৰস্তুত কৰিবলৈ কোটি কোটি ডলাৰ বিনিয়োগ কৰাৰ বিপৰীতে ডিপছিকে মাত্ৰ ৬০ লাখ ডলাৰত নিজৰ শক্তিশালী এআই চাটবট নিৰ্মাণ কৰিছে। এনে পৰিপ্ৰেক্ষিততে ইমান কম খৰচত উন্নত প্ৰযুক্তি নিৰ্মাণে আমেৰিকাৰ এআই উদ্যোগৰ বাবে সৃষ্টি কৰিছে এক ডাঙৰ প্ৰত্যাহ্বানৰ।

লক্ষণীয়ভাৱে, ডিপছিকৰ এই সফলতাই কেৱল প্ৰযুক্তি উদ্যোগতে নহয়, বিত্তীয় বজাৰতো প্ৰভাৱ পেলাইছে। ডিপছিকৰ কম খৰচী উন্নত প্ৰযুক্তিয়ে আমেৰিকাৰ কোম্পানী এনভিডিয়াকে ধৰি অন্যান্য চিপ নিৰ্মাতা কোম্পানীসমূহৰ বাবে বৃহৎ আৰ্থিক লোকচানৰ সৃষ্টি কৰিছে। এদিনতে এনভিডিয়াৰ বজাৰ মূল্য ৬০০ বিলিয়ন ডলাৰ হ্ৰাস পাইছে, যিটো আমেৰিকাৰ অৰ্থনীতিৰ ইতিহাসত এক বিৰল পৰিঘটনা। ডিপছিকৰ উত্থানে আমেৰিকাৰ প্ৰযুক্তি বজাৰত উদ্বেগ সৃষ্টি কৰাৰ লগতে চীনৰ প্ৰযুক্তিগত শক্তিৰ প্ৰতি পুনৰ দৃষ্টি আকৰ্ষণ কৰিছে। ডিপছিকৰ এনে উত্থানক আমেৰিকাৰ প্ৰযুক্তিৰ ভৱিষ্যতৰ বাবে সতৰ্কবাণী অভিহিত কৰিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পেও। ইয়াৰ বিপৰীতে এক নতুন যুগৰ আৰম্ভণি বুলি দাবী কৰি ডিপছিকক আদৰণি জনোৱা পৰিলক্ষিত হৈছে ছিলিকন ভেলীৰ উদ্যোগী আৰু বিনিয়োগকাৰীসকলে। ডিপছিকৰ সফলতাৰ চাবিকাঠি নিহিত হৈ আছে তেওঁলোকৰ খৰচ কমাব পৰা কৌশল আৰু প্ৰযুক্তিৰ দক্ষ ব্যৱহাৰত। সাধাৰণতে এআই মডেল নিৰ্মাণ কৰিবলৈ হাই-এণ্ড চিপ আৰু বিশাল বাজেটৰ প্ৰয়োজন হয়। কিন্তু ডিপছিকে এই গতানুগতিক ধাৰণাটোৰ পৰা আঁতৰি আহি সুলভ মূল্যৰ মডেল তৈয়াৰ কৰাত মনোনিৱেশ কৰিছে। কোম্পানীটোৱে এনভিডিয়া এ১০০ চিপৰ ঠাইত কম শক্তিশালী আৰু তেনেই কম খৰচী চিপ ব্যৱহাৰ কৰে, যিটো সহজে উপলব্ধ আৰু চীনলৈ সহজে আমদানি কৰিব পৰা যায়। ডিপছিকৰ প্ৰযুক্তিগত কৌশলে মডেলটোৰ প্ৰদৰ্শন বৃদ্ধি কৰাৰ লগতে ইয়াৰ খৰচো হ্ৰাস কৰিছে। উদাহৰণস্বৰূপে, কোম্পানীটোৱে মাত্ৰ ৫০,০০০ চিপ ব্যৱহাৰ কৰি এটা শক্তিশালী এআই মডেল তৈয়াৰ কৰিছে, যিটো চাটজিপিটিৰ দৰেই ফলপ্ৰসূ। তেওঁলোকৰ মডেলটো ব্যৱহাৰকাৰীৰ প্ৰশ্নৰ উত্তৰ দিয়া, লিখা, আৰু গৱেষণাৰ দৰে কামৰ বাবে বিশেষভাৱে উপযোগী। ডিপছিকৰ এই কৌশলে তেওঁলোকৰ ধন ৰাহি কৰাই নহয়, আমেৰিকাৰ এআই কোম্পানীসমূহৰ বাবেও যথেষ্ট প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। আমেৰিকাৰ কোম্পানীসমূহে নিজৰ মডেল প্ৰস্তুত কৰিবলৈ কোটি কোটি ডলাৰ খৰচ কৰাৰ বিপৰীতে ডিপছিকৰ মডেলে কম খৰচত একেই ফলাফল প্ৰদান কৰিছে। এই খৰচ-বহনক্ষম কৌশলে তেওঁলোকক কেৱল আমেৰিকাৰ বজাৰতে নহয়, আন্তঃৰাষ্ট্ৰীয় বজাৰতো এক শক্তিশালী স্থান গঢ়ি তোলাত সহায় কৰিছে।

ডিপছিকৰ প্ৰতিষ্ঠাপক লিয়াং ৱেনফেং এজন অভিযন্তা আৰু প্ৰযুক্তি উদ্যোগী। ৪০ বছৰীয়া লিয়াঙে ইলেক্ট্ৰনিক আৰু ইনফৰ্মেশ্যন ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী লাভ কৰিছে। ডিপছিক প্ৰতিষ্ঠা কৰাৰ পূৰ্বে তেওঁ এটা হেজ ফাণ্ড চলাইছিল আৰু তাৰ পৰা সংগ্ৰহ কৰা ধনেৰে কোম্পানীটোৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰিছিল। লিয়াং ৱেনফেঙে ডিপছিক স্থাপন কৰিবলৈ প্ৰায় ৫০,০০০ এনভিডিয়া চিপ সংগ্ৰহ কৰিছিল। কিন্তু যিহেতু আমেৰিকাৰ পৰা চীনলৈ চিপ ৰপ্তানি নিষিদ্ধ, সেয়েহে তেওঁ সহজলভ্য আৰু সস্তীয়া চিপ ব্যৱহাৰ কৰি এই মডেলটো প্ৰস্তুত কৰাত মনোনিৱেশ কৰে। এই কৌশলে তেওঁৰ কোম্পানীক খৰচ কমোৱাৰ লগতে কাৰিকৰী দক্ষতা বৃদ্ধি কৰাত সহায় কৰিছে।

শেহতীয়াকৈ লিয়াং ৱেনফেঙক চীনৰ প্ৰধানমন্ত্ৰী লি কেকিয়াঙৰ সৈতে সাক্ষাৎ কৰা দেখা গৈছিল। এই বৈঠকে চীনৰ প্ৰযুক্তি উদ্যোগত ডিপছিকৰ গুৰুত্ব আৰু অধিক বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰীৰ সৈতে এই বৈঠকৰ পিছত ডিপছিকক চীন চৰকাৰৰ পৰা সম্পূৰ্ণ সহযোগ প্ৰদান কৰা বুলিও চৰ্চা চলিছে। ডিপছিকৰ প্ৰতিষ্ঠাপক হিচাপে লিয়াং ৱেনফেং কেৱল এজন প্ৰযুক্তিবিদেই নহয়, এজন দূৰদৰ্শী উদ্যোগীও। ডিপছিকে প্ৰমাণ কৰিছে যে সীমিত সম্পদ আৰু সৃষ্টিশীল চিন্তাধাৰাৰেও প্ৰযুক্তি উদ্যোগত বৈপ্লৱিক পৰিৱৰ্তন আনিব পৰা যায়। এনেকৈয়ে এতিয়া ডিপছিকে বিশ্বত সূচনা কৰিছে এক নতুন বিপ্লৱৰ।

# কোনোৱে বঁটা দিলেও এতিয়া ল’বলৈ লাজ লগা হৈছে!



## সম্পাদকলৈ চিঠি

■ হিৰণ্য কুমাৰ ভট্টাচাৰ্য

**সামাজিক মাধ্যম** বঁটাই তোলপাৰ লগাই আছে। বহুদিনৰ পৰাই কম কম বুলি প্ৰকাশ কৰিব পৰা নাই কথাবোৰ। আজি অলপ তাকেই গুনগুনাই দিলো। বঁটাই এতিয়া স্বকীয়তা হেৰাই পেলাইছে কিছুমান বঁটা দিয়া উদ্যোক্তাৰ বাবে! বৰ্তমান সমাজত বঁটা পাইছে কোনে? ধৰ্ষণৰ গোচৰত অভিযুক্ত, ঘোচখোৰ, মদ বেপাৰী, চোৰ-ডকাইত, শিল্পীৰ নামত কলংক, শিক্ষকৰ নামত কলংক, ব্লেকমেইলাৰ সাংবাদিক, যাৰ সমাজত একো অৰিহণা নাই, ভাষণ দিয়েই দিন অতিবাহিত কৰিলে সেইসকলেই এতিয়া বঁটাৰ পিছত বঁটা লাভ কৰিছে। ইয়াৰ উপৰিও একাংশই টকাৰ বিনিময়ত লৈছে বঁটা। একাংশই আকৌ বঁটা দিয়াৰ বাবে সংগ্ৰহ কৰিছে ধন। মুঠতে এতিয়া বঁটা একাংশ লোকৰ বাবে এক ব্যৱসায়ত পৰিণত হৈ পৰিছে। বঁটা দিয়া আৰু লোৱা সকলোৱে মন কৰিবলগীয়া কথাটো হৈছে যদি আপোনালোকে এতিয়াই ইয়াক পৰিহাৰ নকৰে ভৱিষ্যতে কিন্তু এই বঁটাৰ উৎপাতত নাকত কাপোৰ ল’ব লাগিব। আনহাতে দুই-একোটা বঁটাত লিখা থাকে যে, বিশিষ্ট, জ্যেষ্ঠ, শিক্ষাবিদ, সমাজপ্ৰেমীৰ দৰে কিমান যে দুৰ্দান্ত ভাষা! সেইবোৰ বঁটা প্ৰাপকসকলৰ লগত মিলে নে নাই চোৱাৰ কোনো প্ৰয়োজন বোধেই নকৰা হ’ল প্ৰাপক বা উদ্যোক্তাসকলে। এয়াই হৈছে আজিৰ যুগত বঁটাৰ মহিমা। বঁটা দিলেও এতিয়া ল’বলৈ লাজ লগা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লেখাপানীত কয়লাক লৈ দুই ফৈদৰ

একাংশ বহিৰাগত বণিয়াই। থলুৱা যুৱকক আৰক্ষীৰ হতুৱাই নাইবা গুণ্ডা লগাই আতিশয্যা চলোৱাৰ অভিযোগ নতুন নহয়। কিন্তু কয়লা মাফিয়াই থলুৱাৰ ওপৰত গুণ্ডাগিৰি চলাই অহাত আৰু কিমান দিনলৈ সহ্য কৰি থাকিব থলুৱাই। এদিন নাইবা এদিন ধৈৰ্যৰ বান্ধ ছিঙিবই। অৱশেষত যেন ধৈৰ্যৰ বান্ধকে ছিঙিল। কথা যেন তেনেকুৱাই হ'ল। উজনি অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত এজন মহাপ্ৰতাপী বহিৰাগত কয়লা মাফিয়াক বগৰাই বগৰাই প্ৰহাৰ কৰাৰ ঘটনা পোহৰলৈ অহাত এই কথাৰ খুব চৰ্চা হ'বলৈ ধৰিছে সমগ্ৰ উজনি অসমত। আজি পোহৰলৈ অহা এটা ভিডিঅ' সমগ্ৰ তিনিচুকীয়া জিলাত বতাহৰ বেগত ভাইৰেল হয়। একাংশ লোকে ভিডিঅ' প্ৰত্যক্ষ কৰি ক'বলৈ আৰম্ভ কৰিছে যে এয়া সময়ৰ খেল। কালিলৈ যাৰ দপদপনিত মানুহৰ মুখৰ মাত ওলোৱা নাছিল আজি সেই দপদপনিক ভৰিৰে মোহাৰি পেলালে থলুৱা যুৱকৰ দলে। বহু কেইজন যুৱকে কয়লা মাফিয়াক ৰাজপথত বগৰাই বগাই মাৰধৰ কৰে। মাটিত বগৰাই লাঠি, ভুকু, ঘোচা মৰাত লেবেজান হৈ পৰা কয়লা মাফিয়াজন হৈছে ৰাকেশ জয়ছোৱাল। কয়লা মাফিয়া ৰাকেশ জয়ছোৱালক প্ৰায় ৩০ জনীয়া দলটোৱে প্ৰহাৰ কৰে। লঠিয়াই লঠিয়াই ইফালৰ পৰা সিফালে নিছে। থিয় হ'ব খুজিছে যদিও বাগৰি পৰিছে। নিজকে ৰক্ষা কৰিবলৈ অপ্ৰাণ প্ৰয়াস কৰিছে। এই ঘটনা সংঘটিত হৈছিল লেখাপানীত। এজনৰ পিছত সিজনে গোট বান্ধি ৰাকেশ জয়ছোৱালক আক্ৰমণ কৰা পৰিলক্ষিত হয়। ৰাকেশ জয়ছোৱাল হৈছে মাৰ্ঘেৰিটা বিজেপিৰ নেতা। মাৰ্ঘেৰিটাৰ বিজেপিৰ বিধায়ক ভাস্কৰ শৰ্মাৰ ঘনিষ্ঠ ৰাকেশ জয়ছোৱাল। আজিৰ পৰা প্ৰায় কুৰি দিন পূৰ্বলৈ কাকো কেৰেপ কৰা নাছিল জয়ছোৱালে। কয়লাৰ ধনেৰে কোটি কোটি টকাৰ সম্পত্তি গঢ়া ৰাকেশে স্থানীয় থলুৱা যুৱকক দাবী-ধমক দিয়াৰ অভিযোগ দীৰ্ঘদিনীয়া। কিন্তু আজি লেখাপানীত বিপৰীত দৃশ্য দেখা গ'ল। মহাপ্ৰতাপী ৰাকেশ জয়ছোৱালক বেয়াকৈ মাৰধৰ কৰে একাংশই। মাৰধৰ কৰি থকাৰ সময়ত স্থানীয় কোনো লোকে ৰক্ষা কৰিবলৈ ওলাই এহা নাছিল। এয়ে যেন আছিল পুঞ্জীভূত ক্ষোভৰ বহিঃপ্ৰকাশ! কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা উমানন্দ মৰাণে কয় যে এই কাজিয়াখনত মাৰ খোৱা ৰাকেশ জয়ছোৱালে নিজে এমএলএ বুলি ভাবে। স্থানীয় ব্যৱসায়ত আধিপত্য বিস্তাৰ কৰিছে। থলগিৰিৰ ওপৰত নিতৌ আতিশয্যা চলাই আহিছে এয়া তাৰ বহিঃপ্ৰকাশ। উমানন্দ মৰাণে দশক দশক ধৰি গুণ্ডাগিৰি কৰি থলুৱাক আতিশয্যা চলোৱা ৰাকেশ জয়ছোৱালক গ্ৰেপ্তাৰ কৰি তদন্ত কৰিব লাগে আৰু যদি বিধায়ক ভাস্কৰ শৰ্মা ৰাকেশ জয়ছোৱালৰ সৈতে জড়িত নহয় তেন্তে কওক জয়ছোৱালক অঘোষিত বিধায়ক পতা নাই বুলি। কয়লা মাফিয়াৰ মাজত লগা সংঘাতৰ ফলত স্থানীয় ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। লিডু, জাগুন, লালপাহাৰ, পাহাৰপুৰ, নামদাং, পাইৰিং ৰেঞ্জত অবৈধ কয়লাৰ অব্যাহত থকা বুলি কয় স্থানীয় ছাত্ৰ সংগঠন তথা ৰাইজে। কয়লাৰ খনন আৰু সৰবৰাহ অব্যাহত থকাৰ অভিযোগ উত্থাপন কৰি জাতীয় সংগঠনে কয় যে প্ৰশাসন ব্যৱস্থা কয়লা খনিত জড়িত। কয়লাখনিত ৯ জনকৈ শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ পিছতে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত তদানীন্তন আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিং তৎপৰ হৈ পৰিছিল। তিনিচুকীয়া, ডিমা হাচাও, কাৰ্বি আংলং জিলাত আৰক্ষীয়ে অভিযান চলাই কয়লাৰ ৰেট হোল মাইনিঙত জড়িত শ্ৰমিক, মহৰী, পৰিচালকক গ্ৰেপ্তাৰ কৰাৰ লগতে খননত ব্যৱহৃত সঁজুলী জব্দ কৰিবলৈ সক্ষম হৈছিল। মুখ্যমন্ত্ৰীৰ ৰেট হোল মাইনিং বন্ধৰ নিৰ্দেশ, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিং তৎপৰ হৈছিল যদিও মাথো দুদিন অভিযানৰ পিছতে অভিযান স্তব্ধ হৈ পৰে। কিন্তু এইবাৰ উজনি অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত কয়লা মাফিয়াৰ মাজত আৰম্ভ হৈছে ভয়াৱহ সংঘাত। লেখাপানীত একাংশ স্থানীয় যুৱকে বিজেপি নেতা ৰাকেশ জয়ছোৱালক খেদি খেদি প্ৰহাৰ কৰাৰ ঘটনাটোৱে সমগ্ৰ জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাকুম্ভত নিহত ১০০০! দাবী খাৰ্গেৰ

উত্তাল হৈ পৰিল ৰাজ্যসভাৰ মজিয়া। প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাৰ পদপিষ্ট ঘটনাত এহাজাৰ জন লোকৰ মৃত্যু ঘটা বুলি বিস্ফোৰক দাবী কৰে খাৰ্গেয়ে। বাজেট অধিৱেশন চলি থকাৰ সময়তে সোমবাৰে ৰাজ্যসভাত খাৰ্গেয়ে কৰা এই মন্তব্যক লৈ উত্তাল হৈ পৰে সদন। কংগ্ৰেছ সাংসদগৰাকীৰ এই মন্তব্যত আপত্তি প্ৰকাশ কৰে অধ্যক্ষ জগদীপ ধনখড়েও। তেওঁ খাৰ্গেক নিজৰ বক্তব্য প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। সোমবাৰে বাজেট অধিৱেশনৰ দ্বিতীয় দিনা মহাকুম্ভ দুৰ্ঘটনাক লৈ বিৰোধী দলৰ সাংসদসকল সৰৱ হৈ পৰে। সেই সময়ত ৰাজ্যসভাত ভাষণ দি খাৰ্গেয়ে কয়, "মহাকুম্ভত এক হাজাৰ লোকৰ মৃত্যু হৈছিল।" ইয়াৰ পিছতে অধ্যক্ষ ধনখড়ে এই মন্তব্যত আপত্তি ব্যক্ত কৰি কয়, "সংসদত উপস্থাপন কৰা ভাষণৰ বিশেষ গুৰুত্ব আছে। আপোনাৰ মন্তব্যত সকলো স্তম্ভিত হৈ পৰিছে। সংসদীয় বিতৰ্কৰ প্ৰতিটো শব্দই বিশ্বৰ মাজলৈ যায়। মই আপোনাক এই বক্তব্য প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ কৰিছো।" একে সময়তে খাৰ্গেৰ মন্তব্যৰ বিৰোধিতা কৰে বিজেপিৰ সাংসদসকলেও। অৱশ্যে কংগ্ৰেছৰ অধ্যক্ষগৰাকীয়ে নিজৰ বক্তব্য প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। খাৰ্গেয়ে কয়, "যদি আপুনি মোৰ কথা ভুল বুলি কয়, তেন্তে চৰকাৰে মৃত্যুৰ সংখ্যা প্ৰকাশ কৰক। কাকো দোষী সাব্যস্ত কৰিবলৈ মই 'হাজাৰ' শব্দটো ব্যৱহাৰ কৰা নাই। চৰকাৰে মৃত আৰু নিৰুদ্দেশৰ সংখ্যা ৰাজহুৱা কৰক। তাৰ পিছত মোৰ দাবী যদি ভুল হয়, তেন্তে নিশ্চয় ক্ষমা খুজিম। কিন্তু চৰকাৰে কিয় তথ্য লুকুৱাই ৰাখিছে?" উল্লেখ্য যে, ২৯ জানুৱাৰীত প্ৰয়াগৰাজৰ মহাকুম্ভৰ সময়ত ভয়াবহতাত বহু লোকৰ মৃত্যু হৈছিল। ঘটনাৰ বহুদিনৰ পাছত উত্তৰ প্ৰদেশ চৰকাৰে এই দুৰ্ঘটনাত ৩০ জন লোকৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। অৱশ্যে এতিয়াও প্ৰকাশ পোৱা নাই মৃতকৰ তালিকা। বিৰোধী দলসমূহে দাবী কৰে যে প্ৰকৃততে মৃত্যু হোৱা লোকৰ সংখ্যা এশৰো অধিক, যিটো প্ৰশাসনে লুকুৱাই ৰাখিছে। আনকি মৃতদেহ নিৰুদ্দেশ হোৱাৰো অভিযোগো উত্থাপন হৈছে। সোমবাৰে সেই বিষয়ক লৈ সংসদৰ দুয়োটা সদনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মৃত্যুৰ প্ৰকৃত সংখ্যা প্ৰকাশ কৰিবলৈ দাবী জনাইছে বিৰোধী দলৰ সাংসদসকলে।

# যোৰাবাটৰ আৰ্হি হাস্পতালত কেন্সাৰ সজাগতা দিৱস পালন

**গুৱাহাটী, ৪ ফেব্ৰুৱাৰীঃ** বিশ্ব কৰ্কট ৰোগ সজাগতা দিৱস উপলক্ষে যোৰাবাটৰ আৰ্হি হাস্পতালত কৰ্কট ৰোগৰ সজাগতা সন্দৰ্ভত দিনজোৱা কাৰ্যসূচী পালন কৰা হয়। পুৱা ৮ বজাত কৰ্কট ৰোগৰ সজাগতা সৃষ্টিৰ বাবে এটা ৰেলীৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ৰেলীৰ পাছতেই আৰ্হি হাস্পতালত কৰ্কট ৰোগৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা, ৰোগী আৰু পৰিচাৰকৰ উপস্থিতিত এখনি সজাগতা সভা অনুষ্ঠিত হয়। সভাত এছচিয়েচন অৱ অংক'লজিষ্ট অৱ নৰ্থ ইষ্ট ইণ্ডিয়াৰ সভাপতি ডাঃ যদুনাথ বুঢ়াগোহাঁয়ে কেন্সাৰ নিৰ্মূল আৰু এই ৰোগৰ সজাগতা




সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। লগতে বিশ্ব কৰ্কট ৰোগ সজাগতা দিৱসৰ এই বছৰৰ উদ্দেশ্য সন্দৰ্ভতো আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত থাকে ইণ্ডিয়ান মেডিকেল এছচিয়েচনৰ অসম শাখাৰ ডাঃ অৰুণিমা গোস্বামী, ডাঃ অতুল কলিতা, এছচিয়েচন অৱ চাৰ্জন অৱ ইণ্ডিয়াৰ ডাঃ নিলোৎপল ভট্টাচাৰ্য, নৰ্থ ইৰ্থ হেড এণ্ড নেক ফৰাম আৰু আৰ্হি হস্পাতালৰ ডাঃ মহামায়া প্ৰসাদ সিং, এছচিয়েচন অৱ অংকলজিষ্ট অৱ নৰ্থ ইষ্ট ইণ্ডিয়া আৰু অৰ্নদা ছচিঅ' ইকনমিক হেলথ এছচিয়েচনৰ ডাঃ যদুনাথ বুঢ়াগোহাঁই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ চাহ উদ্যোগক ধ্বংস কৰাৰ

হোৱাৰ আশংকা হৈছে। ভাৰতীয় চাহ পৰিষদ চমুকৈ টী-বৰ্ডে চাহ উৎপাদনৰ বিষয়টোত গুৰুত্ব প্ৰদান কৰাতকৈ উৎপাদিত চাহৰ বজাৰক লৈহে মাত্ৰাধাকি গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। সেইবাবে অসমৰ চাহ উদ্যোগৰ ক্ষেত্ৰত প্ৰযোজ্য পূৰ্বৰ নিয়ম সঘনাই ৰদ-বদল কৰা দেখা গৈছে। চাহ বৰ্ডে বৰ্তমান ১৬ ফেব্ৰুৱাৰীৰ পৰা ফেক্টৰীসমূহ পুনৰ খুলিবলৈ নিৰ্দেশ জাৰি কৰিছে। ১৬ ফেব্ৰুৱাৰীৰ ভিতৰত বৰষুণ পৰ্যাপ্ত নহ'লে কেঁচা চাহপাতৰ উৎপাদন নহয়। কেঁচা চাহপাতৰ যোগান নাপালে ফেক্টৰীয়ে চাহ প্ৰস্তুত কৰিব নোৱাৰিব। পূৰ্বতে মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহৰ পৰাহে ফেক্টৰীসমূহ খোলাৰ ব্যৱস্থা আছিল। অন্যহাতে ২০২৪ বৰ্ষত ১৫ ডিচেম্বৰৰ পৰিবৰ্তে নৱেম্বৰতে ফেক্টৰীসমূহ বন্ধ কৰাৰ নিৰ্দেশ আহে। ফলশ্ৰুতিত বহু কেঁচা চাহপাত কৃষকে উঠাব নোৱাৰি গছ কাটি পেলাবলগীয়া হয়। চাহৰ উৎপাদন কমিলে ভাৰতীয় চাহ ব'ৰ্ডে অসমৰ পৰিবৰ্তে বিদেশৰ পৰা চাহ ক্ৰয় কৰাৰ বাণিজ্যিক নীতি প্ৰস্তুত কৰিব। ফলশ্ৰুতিত কেনিয়াৰ দৰে বিশ্বৰ চাহ উৎপাদনত থকা তৃতীয় স্থানত থকা দেশৰ চাহ ভাৰতীয় বজাৰ হৈ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰসাৰিত হ'ব। ইয়াৰ ফলত অসমৰ লাখ লাখ ক্ষুদ্ৰ চাহখেতিয়কৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পৰিব। ইতিমধ্যে অসমৰ চাহত মাত্ৰাধিক ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰাৰ ভুৱা তথ্য প্ৰচাৰ কৰি ভাৰতীয় চাহ ব'ৰ্ডে অসমৰ বটলিফ ফেক্টৰীসমূহক পৰীক্ষাগাৰত ৰাসায়নিক পৰীক্ষা নকৰাকৈ চাহপাত ক্ৰয় নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছিল। এই নিৰ্দেশৰ বাবে ২০২৫ বৰ্ষত বহু বটলিফ ফেক্টৰীয়ে ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰা পাত ক্ৰয় নকৰাকৈ ফেক্টৰী বন্ধ ৰাখিবলগীয়া হৈছিল। এই বিষয়টো শেষত ফেক্টৰী এছ'চিয়েশ্যনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপত শিথিল কৰিছিল। উল্লেখ্য যে অসমৰ চাহ উদ্যোগক লৈ কেন্দ্ৰীয় চৰকাৰ মুঠেই সচেষ্ট নহয়। লোকসভাত আজি অসমৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে যোৰহাটৰ টোকলাইত থকা চাহ গৱেষণা কেন্দ্ৰটোৰ পুঁজিৰ জোৰা-টাপলি মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনোৱাৰ সময়ত কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে পিপিপি মডেল অৰ্থাৎ ৰাজহুৱা আৰু ব্যক্তিগতখণ্ডৰ মাজত চুক্তি কৰি টোকলাই গৱেষণা কেন্দ্ৰক শক্তিশালী কৰাৰ চিন্তা-চৰ্চা কৰি থকা বুলি কয়। এয়াই হ'বলৈ হ'লে অসমৰ ঐতিহ্যপূৰ্ণ টোকলাই চাহ গৱেষণা কেন্দ্ৰ ব্যক্তিগত খণ্ডলৈ যোৱাৰ আশংকা আহি পৰিছে। ইফালে, ভাৰতীয় চাহ বৰ্ডৰ হঠকাৰী কাৰ্যৰ বিৰুদ্ধে যোৱা ২৪ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কেইবাটাও দাবী সম্বলিত বিশেষ পত্ৰ প্ৰদান কৰিছে নৰ্থ ইষ্ট কনফেডাৰেচন অব স্মল টি গ্ৰ'ৱাৰছ এছ'চিয়েচনে (এনইচিএছটিজিএ)। যদি প্ৰধানমন্ত্ৰীক পত্ৰ প্ৰদানৰ পিছতো কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে গুৰুত্ব প্ৰদান নকৰে তেন্তে ২ লাখ ক্ষুদ্ৰ চাহ খেতিয়ক ৰাজপথলৈ ওলাই আহিব বুলি হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। বিদেশৰ পৰা চাহপাত আমদানি কৰি চৰকাৰে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলক ভাতে মাৰিব খুজিছে বুলিও অভিযোগ কৰে। অসমৰ চাহৰ উৎপাদন বিভিন্ন প্ৰকাৰে বন্ধ কৰি বিদেশৰ পৰা হাজাৰ হাজাৰ কুইন্টল চাহ আমদানি কৰি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কক নিঃশেষ কৰিব খোজা হৈছে বুলি অভিযোগ কৰে সংগঠনটোৱে। বিদেশৰ পৰা চাহপাতৰ অবাধ আমদানি প্ৰক্ৰিয়া অব্যাহত থাকিলে ২ লাখ ক্ষুদ্ৰ চাহ খেতিয়কৰ লগতে কেইবা লাখ শ্ৰমিক বৰবাদ হ'ব আৰু অসমত জাতীয় সংকট সৃষ্টি হ'ব বুলি কয় সংগঠনটোৱে। ক্ষুদ্ৰ চাহ খেতিয়কৰ ব্যৱসায়, উৎপাদন বন্ধ কৰিব দিয়াৰ ষড়যন্ত্ৰ চাহ বৰ্ডে কৰা বুলিও গুৰুতৰ অভিযোগ আনিছে নৰ্থ ইষ্ট কনফেডাৰেচন অব স্মল টি গ্ৰ'ৱাৰছ এছোচিয়েচনে। এছোচিয়েচনে কয় যে ২০০ বছৰ পুৰণি ভাৰতীয় চাহ উদ্যোগটোক বচাবলৈ কেন্দ্ৰৰ সহায় বিচাৰি দুই লাখতকৈও অধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ হৈ নৰ্থ ইষ্ট কনফেডাৰেচন স্মল টি গ্ৰ'ৱাৰছ এছ'চিয়েচনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত সংগঠনটোৱে কয় যে উত্তৰ-পূবত উৎপাদিত চাহ দেশৰ ৫৪ শতাংশ। ক্ষুদ্ৰ চাহ খেতিয়কসকলক চাহিদা-যোগানৰ অমিল দূৰ কৰিবলৈ ২০২৪ চনৰ ১ ডিচেম্বৰৰ পৰা চাহপাত তোলা বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু আমি লক্ষ্য কৰিছো যে নেপাল, কেনিয়া আৰু অন্যান্য আফ্ৰিকাৰ দেশৰ পৰা চাহ আমদানি যথেষ্ট বৃদ্ধি কৰা হৈছে। কেনিয়াৰ চাহ বৰ্ডৰ চৰকাৰী পৰিসংখ্যা অনুসৰি ২০২৪ চনত কেনিয়াৰ পৰা ভাৰতলৈ আমদানি হৈছে ১৩.৭১ নিযুত কিলোগ্ৰাম চাহ। আনহাতে ২০২৩ চনত জানুৱাৰীৰ পৰা অক্টোবৰলৈ ৩.৫৩ নিযুত কিলোগ্ৰাম আমদানি হৈছে। আমদানি ২৮৮ শতাংশ বৃদ্ধি পাইছে। একেদৰে, নেপালৰ চাহৰ আমদানি এই ছয় মাহত ৫৫.৭০ শতাংশ বৃদ্ধি পাইছে। চৰকাৰে ঘৰুৱা চাহৰ উৎপাদন আগতীয়াকৈ বন্ধ কৰি বিদেশৰ পৰা চাহৰ আমদানি বৃদ্ধি কৰা বুলিকৈ সংগঠনটোৱে তীব্ৰ ক্ষোভ ব্যক্ত কৰে। ইপিনে লাহোৱালত সংবাদমেল সম্বোধন কৰি এছ'চিয়েচনৰ নেতৃত্বই আৰু কয় যে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ বাবে ভাল দিন আৰু কেতিয়াও নাহে। বহুত বটলিফ ফেক্টৰী পৰিদৰ্শন কৰিছো। কিন্তু ফেক্টৰীৰ সৈতে কথা পাতি গম পাইছো যে পাত কিনিবলৈ কোৱা হৈছে যদিও ভাল দাম পোৱা নাযাব। এছ'চিয়েচনৰ সভাপতিগৰাকীয়ে আক্ষেপ কৰি কয় যে চাহ বৰ্ডে নিয়োগ কৰা বিষয়াই একো কাম নকৰে। চাহ বৰ্ডে আজিলৈ বায়মেট্ৰিক কাৰ্ড যোগান নধৰিলে। ক্ষুদ্ৰ চাহ খেতিয়কক সময়মতে প্ৰশিক্ষণ, সা-সুবিধা প্ৰদান কৰা নাই। চৰকাৰে প্ৰদান কৰা সা-সজুলি দিয়াত ব্যৰ্থ হৈছে। অসম চৰকাৰেও সুবিধাবোৰ দিব লাগে। কিন্তু সুবিধা নিদিয়াকৈ জয়ঢোল বজাই আহিছে। অসম চৰকাৰে উদ্যোগক সুবিধা দিয়া বুলি কয়, আত্মসহায়ক গোটক কিবা দিয়া বুলি কয়। কিন্তু ক্ষুদ্ৰ চাহ খেতিয়কে সেই সুবিধা ল'ব নোৱাৰে। অসমত আজি ২ লাখ ক্ষুদ্ৰ চাহ খেতিয়াক আছে। তেওঁলোকৰ আহি থকা দিনত পানীত হাঁহ নচৰা অৱস্থা হ'ব। জাতীয় সংকটৰ সৃষ্টি হ'ব। আমি ইয়াৰ বিৰুদ্ধে আমি অঞ্চলে অঞ্চলে গৈ খেতিয়কক লগ ধৰিম। যদি তেওঁলোকে কয় আন্দোলন কৰিম, তেন্তে আন্দোলন কৰা হ'ব। ক্ষুদ্ৰ চাহ খেতিয়কক নিৰাপত্তা আমি দিবই লাগিব। অসমে একো এটা বস্তু আন্দোলন নকৰাকৈ নাপায়। ভাৰত চৰকাৰ, অসম চৰকাৰে ভাবিছে নেকি যে ক্ষুদ্ৰ চাহ খেতিয়কসকল ৰাজপথলৈ ওলাই আহক। প্ৰয়োজনত ৰাজপথলৈ ওলাব লাগিব। আমি জীয়াই থাকিব লাগিব বুলি কয় এছ'চিয়েচনৰ নেতৃত্বই।

# ঐতিহাসিক সম্পদ বেদখলৰ বিৰুদ্ধে শিৱসাগৰত আটাছুৰ প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ৪ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাত ধ্বংসৰ গৰাহত পৰিছে বহুসংখ্যক কীৰ্তিচিহ্ন। সঠিক সংৰক্ষণৰ নকৰা আৰু এচামে বেদখল কৰাৰ ফলতে নিশ্চিহ্ন হ'বলৈ ধৰিছে ঐতিহাসিক সম্পদ। ইয়াৰ পৰিপেক্ষিতত আজি চৰকাৰ, প্ৰশাসন আৰু পুৰাতত্ব বিভাগৰ বিৰুদ্ধে সৰৱ হৈ পৰে সদৌ টাই আহোম ছাত্ৰ সন্থা। আটাছুৰ নেতৃত্বত আজি কেইবা শতাধিক কৰ্মী, বিষয়ববীয়া তথা ৰাইজে বৰ্ডিং খেলপথাৰৰ পৰা দৌলমুখ চাৰিআলিলৈ বিশাল প্ৰতিবাদী সমদল উলিয়ায়। ঐতিহাসিক সম্পদসমূহ সঠিকভাৱে সংৰক্ষণ নকৰা, বেদখলমুক্ত নকৰাৰ বিৰুদ্ধে সাব্যস্ত কৰে প্ৰতিবাদ। কাৰ্যসূচীত অংশগ্ৰহণ কৰি শতাধিক আটাছু কৰ্মীয়ে ঐতিহাসিক সম্পদৰ সঠিক সংৰক্ষণ কৰক, পুৰাতত্ব বিভাগৰ কাম নাই, কীৰ্তিচিহ্ন বেদখলমুক্ত কৰক আদি শ্ল'গান দি উত্তাল কৰে ৰাজপথ। প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰি আটাছুৰ সভাপতি বসন্ত গগৈয়ে শিৱসাগৰত খোদ চৰকাৰ-প্ৰশাসনৰ অনুমতি সাপেক্ষেই ঐতিহাসিক সম্পদৰ ওপৰত বেদখল চলি আছে বুলি ক্ষোভ প্ৰকাশ কৰে। এই ক্ষেত্ৰত শইকীয়া উপাধিৰ ব্যক্তিয়ে ব্যক্তিগত স্বাৰ্থৰ বাবে কাম কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। বিশেষকৈ শিৱদৌলক আগুৰি থকা যমুনা বেদখল কৰি থকাৰ পিছতো চৰকাৰ প্ৰশাসন, পুৰাতত্ব বিভাগে চকু মুদা কুলিৰ ভাও ধৰি থকা বুলি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিতৰ্ক আৰু সাহিত্য সভা! দুয়ো দুয়োৰে

"সভাত এতিয়া নিষ্ঠাৱান সদস্য কিমানজন আছে? নিষ্ঠাৱান সাংবাদিক বিচাৰি উলিওৱাতকৈ ৰাজনীতি নকৰা সভাৰ নিষ্ঠাৱান কৰ্মীৰ তালিকা প্ৰস্তুত কৰিছে নেকি?" ইয়াৰ উত্তৰ বৰ্তমানৰ সভাপতিয়ে নিশ্চয় দিব নোৱাৰিব। সাংবাদিকে সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাক প্ৰশ্ন কৰিছিল যে নিষ্ঠাৱান সাংবাদিকৰ তালিকাখন কোনে প্ৰস্তুত কৰিছিল? কিহৰ অৰ্হতাৰ ভিত্তিত বাকীসকল সাংবাদিক নিষ্ঠাৱান নহয় অথবা এই ৪৫জনহে বাচি বাচি নিষ্ঠাৱান হ'ল? সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ মৰিগাঁৱৰ এজন সাহিত্যিক নেতাৰ নাম লোৱাৰ লগতে প্ৰচাৰ উপ-সমিতিৰ গালৈ দোষ ঠেলি দিলে। সামাজিক মাধ্যমত ব্যাপক প্ৰতিক্ৰিয়া হোৱাৰ পিছত এতিয়া অসম সাহিত্য সভাৰ একাংশ নেতাই এতিয়া নিষ্ঠাৱান শব্দটো দিব নালাগিছিল বুলি বক্তব্য ৰাখিছে। এই দীঘলীয়া তালিকাখনত একেবাৰে নিষ্ঠা নথকা সাংবাদিক নাই যদিও তালিকাত বহুকেইজন নিষ্ঠাৱানক দেখা গৈছে। নিষ্ঠা গঢ়িবৰ বাবে দীৰ্ঘদিন ধৰি সাংবাদিকতাৰ লগত জড়িত হৈ থকা আৰু মালিকপক্ষই বিচৰাধৰণে বা-বাতৰি প্ৰস্তুত কৰা সাংবাদিকৰ তালিকা সন্নিবিষ্ট হোৱা কথাটোৱে সাহিত্য সভাৰ প্ৰকৃত সাহিত্যিকসকলক লজ্জিত কৰিছে। চৰকাৰী বা-বাতৰি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি নকৰা সাংবাদিকসকলক নিষ্ঠাৱান হিচাপে ধৰি অনুসন্ধানমূলক বাতৰি কৰা সাংবাদিকসকলক অনিষ্ঠাৱান হিচাপে তালিকাভুক্ত কৰিব বিচাৰিছে নেকি বুলিও সভাৰ একাংশ একনিষ্ঠ সেৱকে টেলিফোনত বাৰ্তালাপ কৰিছে। কোনোবাই আকৌ তেওঁ জড়িত নহয় নেকি বুলিও স্পষ্টীকৰণ দিছে। সামাজিক মাধ্যমত জীৱনযোৱা সাধনা বঁটা লাভ কৰা বাবে মুখ্যমন্ত্ৰীৰ মাতৃ মৃণালিনী শৰ্মাক যেনেধৰণে প্ৰশংসা কৰি অভিনন্দন জনাইছে বহুতে আকৌ তেওঁ লিখা গ্ৰন্থ বিচাৰিও হাহাকাৰ কৰিছে। একাংশ সাহিত্যিকে মুখ্যমন্ত্ৰীৰ পিতৃ কৈলাশনাথ শৰ্মাকহে মৰণোত্তৰভাৱে এই বঁটা দিব লাগিছিল বুলি দাবী উত্থাপন কৰিছে। সেইসকলৰ মতে কৈলাশনাথ শৰ্মা এজন প্ৰতিষ্ঠিত গীতিকাৰ আৰু তেখেতৰ কুহু কুহু কুলিয়ে মাতে গীতটি গায়ক জুবিন গাৰ্গে কণ্ঠদান কৰি ইতিমধ্যে অধিক জনপ্ৰিয় কৰি তুলিছে। সভাই মুখ্যমন্ত্ৰী ভাতৃ দিগন্ত বিশ্ব শৰ্মাৰ দৰে বিশিষ্ট সাহিত্যিক, সুকবি তথা সাহিত্য অকাডেমীৰ নেতৃত্বত থকা ব্যক্তিক বঞ্চিত কৰাৰ বাবেও বৰ্তমানৰ সভাৰ নেতৃত্বক সমালোচনা কৰিছে। নিষ্ঠাৱান সাংবাদিকক লৈ এইধৰণৰ বিতৰ্ক চলি থকাৰ মাজতে সামাজিক মাধ্যমত লেখিকা চন্দনা পাঠকে তেওঁৰ এখন গ্ৰন্থ শিশু উপযোগী নোহোৱাকৈ শিশু গ্ৰন্থ হিচাপে পুৰস্কৃত কৰাৰ অভিযোগ উত্থাপন কৰিছে। সাহিত্যিক চন্দনা পাঠকে সাহিত্য সভাৰ নেতৃত্বক সামাজিক মাধ্যমত ভৎৰ্সনা কৰাৰ লগতে লেখিকাগৰাকীক মানসিকভাৱে হাৰাশাস্তি কৰাৰো অভিযোগ উত্থাপন কৰিছে। লেখিকাৰ অভিযোগ, তেঁও নিজে 'পান্থশালা' নামৰ উপন্যাসখনৰ পাণ্ডুলিপি আবেদনসহ সাহিত্য সভাক জমা দিয়া নাই বুলি উল্লেখ কৰাৰ লগতে কিতাপখনৰ প্ৰকাশকেও বঁটাৰ বাবে কোনো আবেদন দিয়া নাছিল বুলি উল্লেখ কৰিছে। তেনেস্থলত সাহিত্য সভাই কি মাপকাঠিৰে পুৰস্কৃত গ্ৰন্থৰ তালিকা প্ৰস্তুত কৰিলে সেই লৈ বিৰাট প্ৰশ্ন উঠিছে। সাহিত্য সভাক হাঁহিয়াতৰ পাত্ৰ কৰা বাবে এতিয়া কোন জগৰীয়া হ'ব তাক লৈ প্ৰশ্ন উত্থাপন হোৱাৰ লগতে অত্যন্ত নিষ্ঠাৰে সাংবাদিকতা কৰি থকা সাংবাদিকসকলক তালিকাভুক্ত নকৰি অপমান কৰাৰ দায়িত্ব কোনে ল'ব বুলিও বহুকেইজন সাংবাদিক প্ৰশ্ন কৰিছে। এনকেটিভিৰ সাংবাদিক বশিষ্ঠদেৱ ফুকনে সাহিত্য সভাই প্ৰদান কৰিব খোজা নিষ্ঠাৱান সাংবিদকতাৰ বঁটা বিনম্ৰতাৰে প্ৰত্যাখ্যান কৰাৰ কথাও সামাজিক মাধ্যমত ঘোষণা কৰিছে। সাহিত্য সভাৰ এনে নাভূত-নাশ্ৰুত বঁটা-বাহনক লৈ সামাজিক মাধ্যমতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বায়ু সেনাৰ বিমানত উঠাই অবৈধ

অনুপ্ৰৱেশকাৰীক বিতাড়নৰ প্ৰতিশ্ৰুতি দোহাৰিছিল ডোনাল্ড ট্ৰাম্পে। ইয়াৰ পিছতে হোৱাইট হাউচত প্ৰৱেশ কৰাৰ পিছত এতিয়া আমেৰিকাৰ পৰা অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক বিতাড়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ট্ৰাম্প প্ৰশাসনে। ৰয়টাৰ সংবাদ সংস্থাই প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে একাংশ প্ৰব্ৰজনকাৰীক সামৰিক বিমানেৰে ভাৰতলৈ প্ৰেৰণ কৰা হৈছে। নাম প্ৰকাশ নকৰাকৈ এজন আমেৰিকান বিষয়াই এই তথ্য নিশ্চিত কৰিছে। তেওঁ কয় যে প্ৰব্ৰজনকাৰীসকলৰ সৈতে ইতিমধ্যে এখন আমেৰিকাৰ সামৰিক বিমান, চি-১৭ মডেল ভাৰতলৈ ৰাওনা হৈছে। অৱশ্যে নতুন দিল্লীয়ে এই সন্দৰ্ভত কোনো কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই। উল্লেখ্য যে, ট্ৰাম্প ক্ষমতালৈ অহাৰ পিছৰে পৰা অবৈধ অনুপ্ৰৱেশ ৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰশাসনৰ নিৰ্দেশত বিভিন্ন প্ৰদেশত অভিযান চলাই অবৈধ অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰি নিজ নিজ দেশলৈ প্ৰেৰণ কৰা হৈছে। এই পদক্ষেপৰ অংশ হিচাপে আমেৰিকাই ইতিমধ্যে পেৰু, গুৱেটামালা, হণ্ডুৰাছৰ পৰা বহু প্ৰব্ৰজনকাৰীক ঘূৰাই পঠিয়াইছে। আমেৰিকাৰ প্ৰতিৰক্ষা মুখ্য কাৰ্যালয় পেন্টাগনৰ সহায়ত সামৰিক বিমান ব্যৱহাৰৰ জৰিয়তে প্ৰত্যাৱৰ্তন প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে কৰা হৈছে। এল পাছ', ছান ডিয়েগো, টেক্সাছ, কেলিফৰ্ণিয়াৰ পৰা বন্দী অনুপ্ৰৱেশকাৰীক নিজ নিজ দেশলৈ ঘূৰাই পঠিওৱা হৈছে। মন কৰিবলগীয়া যে, আমেৰিকাৰ নিৰ্বাচনৰ আগৰে পৰাই ট্ৰাম্পে অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতিৰ কথা কৈছিল। ক্ষমতালৈ অহাৰ পৰাই তেওঁ সেই নীতি ৰূপায়ণ কৰি আহিছে। সকলো নথি-পত্ৰবিহীন অনুপ্ৰৱেশকাৰীক নিজ দেশলৈ ঘূৰাই পঠোৱাৰ ক্ষেত্ৰত প্ৰশাসনে সক্ৰিয় হৈ পৰিছে। ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰেও আমেৰিকাৰ এই নীতিক সমৰ্থন কৰিছে। তেওঁ কয়, 'অনুপ্ৰৱেশৰ ক্ষেত্ৰত আমাৰ এটা নিৰ্দিষ্ট নীতি আছে। আমি সদায় আইনী অনুপ্ৰৱেশক আদৰণি জনাও, কিন্তু অবৈধ অনুপ্ৰৱেশ কেতিয়াও গ্ৰহণযোগ্য নহয়।' লগতে তেওঁ কয় যে যদি কোনো দেশত অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰী থাকে আৰু চৰকাৰে নিশ্চিত কৰে যে তেওঁলোক ভাৰতীয় নাগৰিক, তেন্তে তেওঁলোকক ঘূৰাই আনিবলৈ কেন্দ্ৰ সদায় সাজু। তেওঁৰ মতে এই নীতিয়ে বৈধ অনুপ্ৰৱেশকাৰীৰ বাবে যাত্ৰা সহজ কৰি তুলিব। জয়শংকৰে কয় যে অবৈধ অনুপ্ৰৱেশ কেৱল এটা বিচ্ছিন্ন সমস্যা নহয়, ই আন বহু অবৈধ কাৰ্যকলাপৰ সৈতে জড়িত। এয়া কোনো দেশৰ বাবে সন্মানৰ কথা নহয়। উল্লেখ্য যে, ২০ জানুৱাৰীত ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিছিল ড'নাল্ড ট্ৰাম্পে। শপতগ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি হিচাপে উপস্থিত আছিল জয়শংকৰ। ইয়াৰ পিছতে তেওঁ ট্ৰাম্প প্ৰশাসনৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়, য'ত ভাৰতীয়ৰ বাবে ভিছাৰ সৈতে জড়িত বিষয়সমূহো আলোচনাৰ বাবে উত্থাপন হয়। কিন্তু বৰ্তমান সময়ত ট্ৰাম্পৰ কঠোৰ অনুপ্ৰৱেশ নীতিয়ে আমেৰিকাত থকা ভাৰতীয় সকলৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে। সূত্ৰ অনুসৰি, দেশখনত থকা ১৮ হাজাৰ ভাৰতীয়ক ইতিমধ্যে অনুপ্ৰৱেশকাৰী বুলি চিনাক্ত কৰিছে প্ৰশাসনে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ ভাষণত গান্ধী-নেহৰু

বান্ধিবলৈ চেষ্টা চলালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক ভাষণত আৰম্ভণিৰ পৰা শেষলৈকে কেৱল গান্ধী পৰিয়াল আৰু কংগ্ৰেছক লক্ষ্য কৰি লোৱা পৰিলক্ষিত হ'ল প্ৰধানমন্ত্ৰী মোদীক। আকৌ এবাৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু, ৰাজীৱ গান্ধী, ছোনিয়া গান্ধী, ৰাহুল গান্ধীক সাঙুৰি কটুক্তি কৰিলে মোদীয়ে। দহ বছৰ দেশ চলোৱাৰ পিছতো দেশৰ দুৰাৱস্থাৰ বাবে পুনৰ এবাৰ কংগ্ৰেছকে দোষাৰোপ কৰে তেওঁ। নিজৰ দীঘলীয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছৰ বাবেই দেশ ৪০-৫০ বছৰ পিছুৱাই গৈছে বুলি অভিযোগ উত্থাপন কৰে। ভাষণত কোনো নতুন বিষয় উত্থাপন নকৰি কেৱল কংগ্ৰেছ আৰু গান্ধী পৰিয়ালক লৈয়ে ব্যস্ত হৈ পৰিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মঙলবাৰে সংসদৰ ভাষণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ৰীতি মতেই বিজেপি চৰকাৰৰ কৰ্ম অভিলেখৰ হিচাব প্ৰদান কৰে। কিন্তু এই ভাষণত দেশৰ উন্নয়ন, অৰ্থনীতি, বা ভৱিষ্যতৰ পৰিকল্পনাৰ পৰিৱৰ্তে তেওঁৰ ভাষণৰ কেন্দ্ৰবিন্দু হৈ পৰে কংগ্ৰেছ আৰু গান্ধী পৰিয়াল। মোদীয়ে কয়, "আমিয়েই দৰিদ্ৰৰ প্ৰকৃত বিকাশ আনিছো। ৫০ বছৰে দেশে কেৱল দৰিদ্ৰতা নিৰ্মূলৰ শ্লোগান শুনি আহিছে, কিন্তু দৰিদ্ৰৰ বাবে প্ৰকৃত কাম এতিয়াহে কৰা হৈছে। আমি ২৫ কোটি মানুহক দৰিদ্ৰতাৰ পৰা উলিয়াই আনিছো। একাংশ নেতাই কেৱল দুখীয়াৰ জুপুৰিলৈ গৈ ফটো উঠে, কিন্তু সংসদত তেওঁলোকৰ বিষয়ে এষাৰো নকয়। বৰঞ্চ তেওঁলোকৰ ঘৰত জাকুজী আৰু বিলাসী শ্বাৱাৰ স্থাপন কৰাতহে গুৰুত্ব দিয়া হৈছে।" মোদীয়ে দাবী কৰে যে বিজেপি চৰকাৰে প্ৰথমে মধ্যবিত্ত শ্ৰেণীৰ লগতে নিম্ন শ্ৰেণীৰ সপোন পূৰণৰ কথা চিন্তা কৰিছে। তেওঁৰ ভাষাত "আমি মধ্যবিত্ত শ্ৰেণীৰ মনৰ কথাও শুনিছো।" এই প্ৰসংগত মোদীয়ে সংসদত ১২ লাখ টকা পৰ্যন্ত আয়ক কৰ ৰেহাই দিয়াৰ সিদ্ধান্তৰ কথাও উল্লেখ কৰে। একে সময়তে তেওঁ সোঁৱৰাই দিয়ে যে কংগ্ৰেছ চৰকাৰৰ দিনত মাত্ৰ ২ লাখ টকাৰ আয়ৰ ওপৰতো কৰ আৰোপ কৰা হৈছিল। ২০১৪ চনৰ পৰাই বিজেপি চৰকাৰে কৰ আন্তঃগাঁথনিৰ সংস্কাৰ আৰম্ভ কৰিছে। মোদীয়ে নাম নোলোৱাকৈ ৰাহুল গান্ধীক আক্ৰমণ কৰি কয়, "সংসদত থিয় হৈ 'ফাইটিং ইণ্ডিয়ান ষ্টেট'ৰ দৰে শব্দ ব্যৱহাৰ কৰা হৈছে! দেশৰ সংবিধান বুজি নাপায়, ঐক্য বুজি নাপায়।" ইয়াৰ সমান্তৰালকৈ তেওঁ আপ নেতা অৰবিন্দ কেজৰিৱালকো কটাক্ষ কৰে। তেওঁ কটুভাৱে কয়, "কিছুমানে দুখীয়াৰ নামত ৰাজনীতি কৰে, কিন্তু তেওঁলোকৰ মনোযোগ বিলাসী জীৱন যাপন আৰু ঘৰত দামী জাকুজী স্থাপন কৰাত।" ইফালে, দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ প্ৰসংগ পুনৰ এবাৰ আজি সদনত উত্থাপন কৰা দেখা গ'ল প্ৰধানমন্ত্ৰী মোদীক। নিজৰ বৈদেশিক নীতিৰ ওপৰত আলোকপাত কৰি মোদীয়ে কয় যে যেতিয়া দেশখন গভীৰ সংকটত পৰিছিল, তেতিয়া নথি-পত্ৰ চাই আপুনি বুজিব পাৰে যে কেনেকৈ সিদ্ধান্ত লোৱা হৈছিল। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক 'বেচাৰি' আখ্যা দিয়াৰ বাবেও প্ৰধানমন্ত্ৰীয়ে ছোনিয়া গান্ধীক সমালোচনা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাক চীনৰ প্ৰত্যুত্তৰ!

পিছত এইবাৰ প্ৰত্যুত্তৰ দিলে চীনে। ৱাশ্বিংটনৰ একপক্ষীয় নীতিৰ প্ৰতিবাদত বেইজিঙে এতিয়া আমেৰিকাৰ সামগ্ৰীৰ ওপৰতো ১০ৰ পৰা ১৫ শতাংশ শুল্ক আৰোপ কৰিবলৈ ওলাইছে। চীনৰ ছি জিনপিং প্ৰশাসনে কয়লা আৰু প্ৰাকৃতিক গেছৰ ওপৰত ১৫ শতাংশ শুল্ক আৰু খাৰুৱা তেল, কৃষি সঁজুলি আৰু বৃহৎ যান-বাহনৰ ওপৰত অতিৰিক্ত ১০ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰিও চীন চৰকাৰে আমেৰিকান কোম্পানী গুগলৰ বিৰুদ্ধে আস্থা ভংগৰ অভিযোগ উত্থাপন কৰি তদন্ত আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। আমেৰিকাৰ প্ৰযুক্তি খণ্ডৰ ওপৰত অধিক হেঁচা প্ৰয়োগ কৰাৰ লক্ষ্যৰেই চীনে এনে সিদ্ধান্ত গ্ৰহণ কৰা বুলি সন্দেহ কৰিছে বিশেষজ্ঞসকলে। ৱাশ্বিংটনৰ সৈতে হোৱা বাণিজ্য যুদ্ধৰ পৰিপ্ৰেক্ষিতত বেইজিঙৰ এই সিদ্ধান্ত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। উল্লেখ্য যে, চীনত গুগল সাধাৰণতে নিষিদ্ধ যদিও তেওঁলোকে কিছুমান বিশেষ কোম্পানীৰ সৈতে অংশীদাৰিত্বৰে কাম কৰি আহিছে। এতিয়া চীনে আমেৰিকাৰ প্ৰযুক্তি কোম্পানীটোৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'বলৈ সাজু হৈছে। ইফালে, বৰ্তমান মেক্সিকো আৰু কানাডা আমেৰিকাৰ শুল্কৰ পৰা ৰেহাই পাইছে যদিও চীনৰ সামগ্ৰীৰ ওপৰত ১০ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্ত এতিয়াও বাহাল আছে। এই পৰিস্থিতিত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ছি জিনপিঙৰ সৈতে প্ৰত্যক্ষ আলোচনা কৰিব পাৰে বুলি হোৱাইট হাউছে প্ৰকাশ কৰিছে। সেই পৰিস্থিতিত চীনে আমেৰিকাক পাঠ শিকাবলৈ প্ৰতিকাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। বেইজিঙে দাবী কৰিছে যে আমেৰিকাৰ শুল্ক নীতিয়ে বিশ্ব বাণিজ্য সংস্থাৰ নিয়ম উলংঘা কৰিছে আৰু ই দুয়োখন দেশৰ অৰ্থনৈতিক সম্পৰ্কৰ ক্ষতি কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰালয়ে কয় যে আগন্তুক নিৰাপত্তা পৰিষদৰ বৈঠকত চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়ি আৰু আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ মাজত এই বিষয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে। ইয়াৰ উপৰিও অহা কেইদিনমানৰ ভিতৰত ট্ৰাম্প-জিনপিঙৰ বৈঠক হ'ব পাৰে বুলিও ইংগিত পোৱা গৈছে। মন কৰিবলগীয়া যে যোৱা নৱেম্বৰ মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়ী হোৱাৰ পিছত ট্ৰাম্পে কঠোৰ বাণিজ্য নীতি গ্ৰহণ কৰাৰ ইংগিত দিছিল। তেওঁ কয় যে অবৈধ অনুপ্ৰৱেশ আৰু ড্ৰাগছ সৰবৰাহৰ প্ৰতিৰোধৰ বাবে তিনিওখন দেশৰ সামগ্ৰীৰ ওপৰত শুল্ক আৰোপ কৰা হ'ব। বিশেষকৈ তেওঁ অভিযোগ কৰে যে মেক্সিকান সীমান্তৰ মাজেৰে চীনত নিৰ্মিত অবৈধ ড্ৰাগছ আমেৰিকাত প্ৰৱেশ কৰি আছে। এই কাৰণেই ট্ৰাম্পে চীনৰ সামগ্ৰীৰ ওপৰত শুল্ক বৃদ্ধি কৰাৰ হুংকাৰ দিছিল। তাৰ পিছত যোৱা শনিবাৰে ট্ৰাম্পে ঘোষণা কৰে যে চীনৰ সামগ্ৰীৰ ওপৰত ১০ শতাংশ শুল্ক আৰু কানাডা আৰু মেক্সিকোৰ সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰিব। এই নীতি মঙলবাৰৰ পৰা কাৰ্যকৰী হোৱাৰ কথা আছিল। কিন্তু শেষ মুহূৰ্তত কানাডা আৰু মেক্সিকোৰ বাবে এই শুল্ক কাৰ্যকৰী কৰাৰ পৰা বিৰত থাকে আমেৰিকা। দুয়োখন দেশৰ নেতাৰ সৈতে আলোচনাৰ অন্তত ট্ৰাম্পে সেই সিদ্ধান্ত সাময়িকভাৱে ৩০ দিনৰ বাবে স্থগিত ৰাখে। সোমবাৰে নিশা কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডো আৰু মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্লাউডিয়া শ্বেইনবামৰ সৈতে পৃথক পৃথক বৈঠকত মিলিত হোৱাৰ পিছত এই সিদ্ধান্ত গ্ৰহণ কৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পে। কূটনৈতিক বিশেষজ্ঞসকলৰ মতে এই পৰিস্থিতিত ট্ৰাম্প-জিনপিঙৰ বৈঠক গুৰুত্বপূৰ্ণ হ'ব। কিন্তু চীনে প্ৰতিশোধমূলক শুল্ক আৰোপ কৰাৰ সিদ্ধান্তই বেইজিং-ৱাশ্বিংটনৰ বাণিজ্য যুদ্ধ অধিক তীব্ৰতৰ কৰি তুলিব বুলি আশংকা ব্যক্ত কৰিছে বিশেষজ্ঞসকলে।

# এছটিএফৰ অভিযানত কোকৰাঝাৰত আটক সন্দেহযুক্ত জেহাদী

**ই-সংবাদ, কোকৰাঝাৰ, ৪ ফেব্ৰুৱাৰীঃ** অসম আৰক্ষীৰ সহযোগত বিশেষ টাস্ক ফ'ৰ্চৰ এটা দলে কালি নিশা কোকৰাঝাৰত এটা সন্দেহযুক্ত জেহাদীক আটক কৰিছে। আটকাধীন সন্দেহযুক্ত জেহাদীটো জিলাখনৰ মোকৰাপাৰাৰ নাছিম উদ্দিন সেখ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে যোৱা নিশা অসম আৰক্ষী আৰু বিশেষ টাস্ক ফৰ্চৰ এটা দলে মোকৰাপাৰাত অভিযান চলাই সন্দেহযুক্ত জেহাদীটোক আটক কৰে। অধিক তথ্যৰ বাবে আটকাধীন সন্দেহযুক্ত জেহাদীটোক গুৱাহাটীলৈ লৈ যোৱা হৈছে আৰু গুৱাহাটীতে জেৰা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা বৰ্ষৰ ১৮ ডিচেম্বৰত ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ পৰা কেইবাটাও সন্দেহযুক্ত জেহাদীক গ্ৰেপ্তাৰ কৰিছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক চাহপাত উপহাৰ দিয়া

বিশেষ ব্যক্তিৰ ঘৰত ইডিয়ে পুৱাৰে পৰা অভিযান চলায়। এই ব্যক্তি দুগৰাকীৰ এগৰাকী হৈছে ডিব্ৰুগড়ৰ ৰাজন লোহিয়া আৰু যোৰহাটৰ মনোজ হাজৰিকা। প্ৰাপ্ত খবৰ অনুসৰি উজনি অসমৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা মনোহাৰী টি ইষ্টেটৰ স্বত্বাধিকাৰী ৰাজন লোহিয়াৰ ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত মঙলবাৰে পুৱাৰ পৰাই ইডিয়ে অভিযান চলায়। ডিব্ৰুগড়ৰ থানা চাৰিআলিৰ কাৰ্তক পাৰাৰ নিজ গৃহ, মনোহাৰী টি ৰিট্ৰিত ৰিজ'ৰ্ট, এইছ এছ ৰোডৰ সমীপৰ আমবা হাইট, চৌকিডিঙ্গিৰ এএছটিচিৰ সমীপত আৰু পুৰণি ডালিমি চিনেমা হলৰ সমীপত ইডিৰ অভিযান চলে। গুৰুত্বপূৰ্ণ কথাটো হ'ল ডিব্ৰুগড়ৰ ব্যৱসায়ী ৰাজন লোহিয়াই শেহতীয়াকৈ ক্ৰয় কৰি গৈছে উজনি অসমৰ এখনৰ পাছত আন এখন চাহ বাগান আৰু চাহ কোম্পানী । কম দিনৰ ভিতৰতে তেওঁ উজনিৰ কেইবাখনো বাগান আৰু চাহ কোম্পানীৰ মালিক হৈ পৰিছে। ২০২১ চনৰ পাছৰে পৰা তেওঁ চিংলো নাপুক টি ইষ্টেট, চিংলো জাবোকা টি ইষ্টেট, চিংলো চাফাৰী টি ইষ্টেট, চিংলো মুট্টাৰোপ টি ইষ্টেট, লেঙেৰী টি লিমিটেড আৰু চুন্টোক টি ইষ্টেট প্ৰাইভেট লিমিটেডকে ধৰি কেইবাটাও চাহ কোম্পানীৰ স্বত্বাধিকাৰী হৈ পৰিছে। চৰ্চা অনুযায়ী ৰাজন লোহিয়াৰ চমকপ্ৰদ উত্থানৰ আঁৰত আছে অসমৰ এক ক্ষমতাশালী ৰাজনৈতিক শক্তিৰ আশীৰ্বাদ। বছৰদিয়েক পূৰ্বে ব্যৱসায়ীগৰাকীয়ে মুখ্যমন্ত্ৰীক নিজৰ বাগানৰ চাহপাত উপহাৰ দি চৰ্চালৈ আহিছিল। লোহিয়াৰ বাগানৰ চাহপাত কেইদিনমান পূৰ্বে বিক্ৰী হৈছিল প্ৰতিকিলো ৩৯ হাজাৰ টকা দৰত। সেইগৰাকী ব্যৱসায়ীৰ ঘৰত ইডিয়ে অভিযান চলোৱা বিষয়টোৱে এতিয়া উজনি অসমত ব্যাপক চৰ্চা লাভ কৰিছে। ইফালে, যোৰহাটত প্ৰাক্তন বিজেপি নেতা মনোজ হাজৰিকাৰ ঘৰত আজি পুৱাৰে পৰা চলে ইডিৰ অভিযান। উল্লেখ্য যে, অৰুণাচলী সুৰা সৰবৰাহ গোচৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল মনোজ হাজৰিকাক। পশ্চিম যোৰহাটৰ বৰখণ্ডীয়াৰ মনোজ হাজৰিকা আছিল এগৰাকী বিজেপি নেতা। যাক দলে ইতিমধ্যে সকলো দায়িত্বৰ পৰা অব্যাহতি প্ৰদান কৰিছে। সেইগৰাকী মনোজ হাজৰিকাৰ যোৰহাটৰ বাসগৃহত তদন্তকাৰী সংস্থাটোৱে অভিযান চলোৱা বিষয়টোৱেও যোৰহাটত বিশেষ চৰ্চা লাভ কৰিছে।

# পেঙেৰীৰ বিশিষ্ট সাংবাদিক ৰবীন মৰাণলৈ অসম সাহিত্য সভাৰ নিষ্ঠাবান সাংবাদিকতা বঁটা

**ই-সংবাদ, ডুমডুমা, ৪ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত অতিকৈ ভিতৰুৱা ১ নং নলনী গাঁও নিবাসী স্বৰ্গীয় ব্ৰজেন মৰাণ আৰু স্বৰ্গীয়া দখলী মৰাণৰ পুত্ৰ তথা বিশিষ্ট সাংবাদিক ৰবীন মৰাণক অসম সাহিত্য সভাৰ নিষ্ঠাবান সাংবাদিকতা বঁটা প্ৰদান কৰাক লৈ জিলাখনৰ সাংবাদিক মহলত আনন্দৰ লহৰ উঠিছে। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি পঞ্চম তথা শেষৰ দিনটোত ৰাজ্যৰ ৫৪ গৰাকী সাংবাদিকক সভাৰ নিষ্ঠাবান সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাই প্ৰথমবাৰলৈ প্ৰদান কৰা এই বঁটা তথা সন্মানেৰে তিনিচুকীয়া জিলাৰ একমাত্ৰ সাংবাদিক হিচাপে তিনিচুকীয়া জিলালৈ গৌৰৱ কঢ়িয়াই অনা বিশিষ্ট সাংবাদিক ৰবীন মৰাণক এইক্ষেত্ৰত বিভিন্নজনে অভিনন্দন জনাইছে। উল্লেখ্য যে, ১৯৬৮ চনৰ ৩১ আগষ্টত জন্মগ্ৰহণ কৰা ৰবীন মৰাণ এগৰাকী বাণিজ্য স্নাতকৰ লগতে সাংবাদিকতাৰ ডিপ্লমাধাৰীও। পেছাত শিক্ষক ৰবীন মৰাণ এগৰাকী ক্ষুদ্ৰ চাহ খেতিয়কো। ১৯৭৭ চনতে পিতৃয়ে আৰম্ভ কৰা ক্ষুদ্ৰ চাহ খেতিৰ উত্তৰণত নিজকে জড়িত কৰি এগৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক হিচাপেও নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা ৰবীন মৰাণে সাংবাদিকতাৰ দৰে বৰ্ণিল তথা কণ্টকাকীৰ্ণ পথত খোজ দি নিষ্ঠা, সততা আৰু সাহসিকতাৰে নিজ দায়িত্ব পালন কৰি আহিছে।



১৯৯৫ চনতে 'অসমীয়া প্ৰতিদিন' আৰু 'সাদিন' কাকতৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰি সুদীৰ্ঘ ২১ বছৰ সেৱা আগবঢ়োৱাৰ অন্তত ৰবীন মৰাণে ২০১৬-১৯ বৰ্ষৰ ছেপ্টেম্বৰলৈকে 'দৈনিক জনমভূমি' কাকতত সাংবাদিকতা কৰিছিল। ২০১৯ চনৰ পৰা 'নিয়মীয়া বাৰ্তা' কাকতত নিষ্ঠাৰে সংবাদ সেৱা আগবঢ়াই অহা ৰবীন মৰাণ অসম চৰকাৰৰ জনসংযোগ বিভাগৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকো। ৰবীন মৰাণে ইতিপূৰ্বে ছেণ্টিনেল কাকত গোষ্ঠীৰ দ্বাৰা আগবঢ়োৱা ২০০০ বৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল ভিত্তিক 'অনুসন্ধানমূলক সাংবাদিকতা'ৰ বঁটা, টীয়ক প্ৰেছ ক্লাৱে আগবঢ়োৱা ২০১০ বৰ্ষৰ গ্ৰাম্য উন্নয়ন সাংবাদিকতাৰ বাবে 'গোলাপ মিশ্ৰ সোঁৱৰণী বঁটা', মাৰ্ঘেৰিটা সাংবাদিক সন্থাৰ দ্বাৰা আগবঢ়োৱা ২০১১ বৰ্ষৰ বিমল ভট্টাচাৰ্য স্মাৰক বঁটা আৰু 'মিডিয়া ফেডাৰেশ্যন অব্ ইণ্ডিয়া' ই ২০১৯ ত আগবঢ়োৱা উত্তৰ-পূৰ ভাৰতৰ শ্ৰেষ্ঠ সাংবাদিক বঁটাও লাভ কৰিছে। এগৰাকী নিৰ্ভিক সাংবাদিক হিচাপে পৰিচিত ৰবীন মৰাণে সাংবাদিকতাৰ সমান্তৰালকৈ সাহিত্য ক্ষেত্ৰখনৰ সৈতেও নিজকে সমৰ্পিত কৰি আহিছে। অসমৰ বিভিন্ন কাকত-আলোচনীত প্ৰবন্ধ, গল্প, কবিতা, লিমাৰিক আদি লিখি অহা ৰবীন মৰাণৰ প্ৰকাশিত গ্ৰন্থকেইখন হৈছে, 'তেজৰ গীত' (কবিতা পুথি), 'আশাবোৰ নিৰাশা হ'লেই গধুৰ হয় পৃথিৱী' (১০১ টা কবিতাৰ সংকলন), 'ছেভাৰ্ণ ছুজুকীৰ পৰা নিংৰু-লা'লৈ (প্ৰবন্ধ সংকলন) আৰু 'লিমাৰিক আৰু অন্যান্য'। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, তিনিচুকীয়া জিলা অৰণ্য সুৰক্ষা সমিতিৰ প্ৰাক্তন সচিবপ্ৰধান, অসম সাহিত্য সভাৰ ৭৪ সংখ্যক বুঢ়ীদিহিং-বৰডুমচা অধিৱেশনৰ অন্যতম সাধাৰণ সম্পাদক ৰবীন মৰাণ 'আসাম প্ৰেছ ক'ৰেছপ'ণ্ডেণ্টছ ইউনিয়ন', চমুকৈ "আপকু"ৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰতিষ্ঠাপক তথা বৰ্তমানৰ সভাপতি। ১৯৯৩ চনৰ পৰা 'জ্ঞানোদয় উচ্চ মাধ্যমিক বিদ্যালয়' (ভেঙাৰ)ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপে কাৰ্যনিৰ্বাহ কৰি অহা নিৰ্ভিক তথা বিশিষ্ট সাংবাদিক ৰবীন মৰাণে সমাজ তথা জাতীয় জীৱনৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন অন্যায়-অনিয়মৰ বিৰুদ্ধে সদায়েই সৰৱ ভূমিকা পালন কৰি অহাই নহয়, কাকতৰ যোগেদি সেইবোৰক বলিষ্ঠভাৱে উপস্থাপন কৰি আহিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# হস্তী কৰিডৰ'ৰ বন্ধ কৰি চাহ ফেক্টৰী নিৰ্মাণ কৰাক লৈ বিশ্বনাথৰ বাঘমাৰীত প্ৰতিবাদ

**ই-সংবাদ বিশেষ, বিশ্বনাথ, ৪ ফেব্ৰুৱাৰীঃ** উত্তৰ-পূৱৰ হাতী উদ্যোগপতি মুকেশ আম্বানীৰ পুত্ৰৰ গুজৰাটৰ চিৰিয়াখানালৈ নিয়াৰ অভিযোগৰ মাজতে এইবাৰ হস্তী দণ্ডীৰ জমি পুঁজিপতিক গটাই দিয়াত উত্তৰ অসমৰ বিশ্বনাথ জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। হাতী চলাচলৰ বাবে নিৰ্ধাৰিত এলেকাক নিশাৰ ভিতৰতে ঔদ্যোগিক ভূমি কৰা হৈছে। সেই ঠাইত ইতিমধ্যে নিৰ্মাণ কৰা হৈছে ফেক্টৰী। নিৰ্মাণৰত চাহ ফেক্টৰীৰ সন্মুখত আজি প্ৰতিবাদ সাব্যস্ত কৰে দল-সংগঠনে। বন্য হস্তীক জীয়াই থাকিবলৈ দিয়ক, হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ বণিয়াক নিয়ন্ত্ৰণ কৰক, হস্তী দণ্ডীত নিৰ্মাণ নকৰিব আদি শ্ল'গানেৰে ফেক্টৰীৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ চৰকাৰ বিৰোধী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে কেইবাটাও সংগঠনৰ নেতা-কৰ্মীয়ে। প্ৰতিবাদকাৰীসকলে উদ্যোগ নিৰ্মাণৰ অনুমতি দিয়াত চৰকাৰক সমালোচনা কৰি কয় যে বন বিভাগে এই অঞ্চলটোক হস্তী কৰিডৰ কৰিছিল। সেই ঠাইত ফেক্টৰী নিৰ্মাণ কৰাৰ ফলত মানৱ-বন্যপ্ৰাণীৰ সংঘৰ্ষ তীব্ৰতৰ হ'ব। অঞ্চলটোত ধ্বংসলীলা বৃদ্ধি পাব। চাহ কাৰখানাটো হস্তী কৰিডৰত নিৰ্মাণ কৰিব




নালাগে। কিয়নো সেই ঠাইৰে বন্যপ্ৰাণীয়ে চলাচল কৰে। বিশেষকৈ হাতীৰ চলাচল হৈ থাকে। প্ৰতিবাদকাৰীয়ে চৰকাৰক প্ৰশ্ন কৰি কয় যে যদি ইয়াত এটা চাহ কাৰখানা নিৰ্মাণ কৰা হয়, হাতীবোৰ ক'লৈ যাব? তেওঁলোকে মানুহৰ বসতি ধ্বংস কৰিব। স্থানীয় ৰাইজে পূৰ্বতে জিলা প্ৰশাসনক অভিযোগ দিছো কিন্তু গুৰুত্ব দিয়া নাই। কেনেকৈ হাতী চলাচলৰ বাবে নিৰ্ধাৰিত এলেকাক হঠাতে ঔদ্যোগিক ভূমি হ'ল। যি সময়ত চৰকাৰে মানৱ-বন্যপ্ৰাণী সংঘৰ্ষৰ মোকাবিলা কৰা বুলি দাবী কৰিছে সেই সময়ত কৰিডৰত কাৰখানাৰ বাবে কেনেকৈ অনুমতি দিয়া হৈছে বুলিও প্ৰশ্ন কৰে প্ৰতিবাদকাৰীয়ে। বাসস্থান ধ্বংসৰ উপৰিও, কাৰখানাৰ পৰা আৱৰ্জনা নিষ্কাশন আৰু প্ৰদূষণক লৈও উদ্বেগ প্ৰকাশ কৰি ৰাইজে কয় যে কাৰখানাৰ আৱৰ্জনা ক'লৈ যাব? কেৱল বন্যপ্ৰাণীৰ ক্ষতি নকৰে। স্থানীয় লোকসকলকো গুৰুতৰভাৱে প্ৰভাৱিত কৰিব। উল্লেখ্য যে, ফেক্টৰী নিৰ্মাণ কৰা অঞ্চলটোত খাদ্যৰ সন্ধানত বন্যহস্তী জনাঞ্চললৈ ওলাই অহাটো এক নিয়ম। কিন্তু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ আৰু দশম সংযোজনত যাতায়তৰ বাবে ব্যৱহাৰ হোৱা কৰিডৰত বণিয়া ৰাজেশ কুমাৰ গুপ্তাই চাহ ফেক্টৰী স্থাপন কৰা কাৰ্যত ৰাইজে সহজে ল'ব পৰা নাই। বণ্যপ্ৰাণী সুৰক্ষাৰ বাবে সমগ্ৰ অঞ্চলটোত বন বিভাগে পদক্ষেপ লোৱাৰ সময়তে ব্যৱসায়িক স্বাৰ্থত বন্যহস্তীকুলৰ যাতায়াতৰ পথ ৰুদ্ধ আৰু পাৰিপাৰ্শ্বিক বাতাৱৰণ দূষিত কৰিব বিচৰা হৈছে। ফেক্টৰী স্থাপন কৰা ঠাইক বন্যহস্তীৰ বিচৰণৰ অঞ্চল বুলি চিহ্নিত কৰাৰ পিছতো নিৰ্মাণ কাৰ্য অব্যাহত ৰাখিছে মালিক পক্ষই। সাধাৰণ মাটি খৰতকীয়াকৈ উদ্যোগিক শ্ৰেণীলৈ পৰিৱৰ্তন কৰি জিলা প্ৰশাসনে গুপ্তাক বৰপীৰা পাৰি দিয়াৰো অভিযোগ তুলিছে স্থানীয় দল-সংগঠনে।

# তদন্ত নকৰাকৈ আমাক প'ৰ্ণষ্টাৰ বনাই দিছে বুলি দাবী বাংলাদেশী যুৱতী কাণ্ডত ধৃত জাহাংগীৰৰ

## ঘটনাৰ মূল অভিযুক্ত হাতীগাঁৱৰ জাকিৰ বৰ্তমানো পলাতক

**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** পৰ্ণ ফিল্ম তৈয়াৰৰ বাবে গুৱাহাটীৰ হোটেলৰ কোঠাত বাংলাদেশী যুৱতীক বন্দী কৰি ভিডিঅ' ৰেকৰ্ড কৰা ছয় যুৱকক গ্ৰেপ্তাৰৰ ঘটনাক লৈ তীব্ৰ চাঞ্চল্যৰ অব্যাহত আছে। বৰপেটা-বকোৰ ছয়জন যুৱকে বাংলাদেশী যুৱতীক গুৱাহাটীৰ লাষ্টগেটৰ হোটেল আদিত্য পেলেচত বন্দী কৰি পৰ্ণ ফিল্ম তৈয়াৰ কৰাৰ অভিযোগত ৩ ফেব্ৰুৱাৰীত গুৱাহাটী আৰক্ষীৰ অপৰাধা নিয়ন্ত্ৰণ শাখাই গ্ৰেপ্তাৰ কৰিছিল। বকোৰ জাহাংগীৰ আলম, ছফিকুল হক, মোল্লা জাহাংগীৰ, বৰপেটাৰ ছাদ্দাম হুছেইন, ছফিকুল ইছলাম, চুৰত জামালক দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। আজি দিছপুৰ আৰক্ষী থানাৰ বাহিৰত আৰক্ষীৰ জিম্মাত থকাৰ সময়ত বকোৰ জাহাংগীৰ আলম নামৰ যুৱকজনে মিডিয়াৰ সন্মুখত মুখ খোলে। জাহাংগীৰে কয় যে আমি এইবিলাক কথা একো নাজানো। মই হোটেলত বেলেগ এটা ৰুম লৈছিলো। ঘটনাটো ভালকৈ তদন্ত কৰিব লাগে। একো নজনাকৈ আমাক পৰ্ণ ষ্টাৰ বনাই দিছে। আৰক্ষীয়ে আমাৰ ভাষ্য লোৱা নাই। ছোৱালীয়ে নিজেই কৈছে যে তেওঁক ছফিকুল হকে আনিছে। ঘটনা হৈছে বেলেগ এটা কোঠাত। আমাক আনিছে বেলেগ এটা কোঠাৰ পৰা। জাহাংগীৰ নিজেক এই ঘটনাত সৈতে জড়িত নহয় বুলি দাবী কৰে। ইপিনে এইজন জাহাংগীৰে সামাজিক মাধ্যমত ভিডিঅ' ক্ৰিয়েটৰ হিচাপে কাম কৰিছিল বুলি জানিব পৰা গৈছে। প্ৰায়ে বিভিন্ন বিষয়ত ভিডিঅ' প্ৰস্তুত কৰি ভিডিঅ' শ্বেয়াৰ কৰিছিল। জাহাংগীৰ আলমৰ নেতৃত্বতে হোটেলত অনৈতিক কাৰ্যৰ দৃশ্য ৰেকৰ্ড কৰিবলৈ যুৱতীক আবদ্ধ কৰাৰ সন্দেহ কৰা হৈছে। সন্দেহ কৰা মতে, ৩১ জানুৱাৰীৰ পৰা ৫ অভিযুক্তই পৰ্ণ ফিল্ম নিৰ্মাণৰ পৰিকল্পনা কৰি হোটেলৰ কোঠা লৈছিল। মেঘালয়ৰ মাজেৰে গুৱাহাটীলৈ অনা হৈছিল বাংলাদেশী ৫ যুৱতীক। গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ হোটেল আদিত্য পেলেচত এই ঘটনা সংঘটিত হৈছিল। এগৰাকী বাংলাদেশী যুৱতীৰ নামত হোটেল আদিত্য পেলেচত কোঠা ভাড়া কৰিছিল হাতীগাঁৱৰ জাকিৰ নামৰ যুৱকে। জাকিৰে যুৱতীৰ নামত ভুৱা আধাৰ কাৰ্ড তৈয়াৰ কৰি হোটেলৰ দুটা কোঠা বুকিং কৰিছিল বুলিও জানিব পৰা গৈছে। জাকিৰে বিদেশী যুৱতীৰ ৭ হাজাৰ টকাৰ বিনিময়ত গ্ৰেপ্তাৰ হোৱা ৬ যুৱকৰ হাতত তুলি দিছিল। ৬ যুৱকে লগলাগি হোটেলৰ কোঠাতে যুৱতীৰ সৈতে অপকৰ্ম সংঘটিত কৰাৰ প্ৰয়াস কৰে। দলবদ্ধভাৱে শাৰীৰিক শোষণৰ প্ৰয়াস কৰাৰ লগতে সেই দৃশ্যসমূহ মোবাইলত ৰেকৰ্ড কৰে। বিদেশী যুৱতীগৰাকীক হোটেলৰ কোঠাত অনৈতিক কাৰ্যত লিপ্ত হোৱাৰ দৃশ্যসমূহ ৰেকৰ্ড কৰিছিল। যুৱতীয়ে মোবাইলৰ সন্মুখত সকলো কৰি যাবলৈ বাধ্য হৈছিল। কিন্তু যুৱতীয়ে কেনেবাকৈ চক্ৰবেহুৰ পৰা মুক্ত হৈ হোটেলৰ পৰা ওলাই আহি গুৱাহাটী আৰক্ষীৰ কাষ চাপে। বিদেশী যুৱতীগৰাকীয়ে আৰক্ষীৰ সন্মুখত সকলো কথা বৰ্ণানা কৰে। লগে লগে আৰক্ষীয়ে অভিযান আৰম্ভ হয়। অভিযানত জাহাংগীৰ, ছফিকুল, জাহাংগীৰ, ছাদ্দাম, ছফিকুল আৰু চুৰত জালত পৰে। মোবাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়। হাতীগাঁৱৰ জাকিৰে ৭ হাজাৰ টকাৰ বিনিময়ত বাংলাদেশৰ ২২ বছৰীয়া যুৱতীগৰাকীক বকোৰ ছফিকুল হকৰ হাতত তুলি দিছিল। সিমানে নহয়, ভুৱা আধাৰ কাৰ্ড তৈয়াৰ কৰি হোটেলৰ কোঠা বুক কৰিছিল। বিদেশী যুৱতী যোগান ধৰা জাকিৰ বৰ্তমান পলাতক যদিও জাকিৰক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে জাল পেলাইছে। এই ঘটনাক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া অব্যাহত আছে।

# বৰপেটাৰ ভেল্লাত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস

**এজন নিজা বাতৰি দিওতা, বৰপেটা, ৪ ফেব্ৰুৱাৰীঃ** নিপীড়িত, নিষ্পেষিত তথা বিভিন্ন ক্ষেত্ৰত ৰাজনৈতিক, সামাজিকভাৱে অবহেলিত অসমৰ থলুৱা মুছলমান লোকৰ শক্তিশালী সংগঠন গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস বৰপেটাৰ ঐতিহাসিক ভেল্লাত অনুষ্ঠিত হ'ব। সংগঠনটোৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত আঞ্চলিক সমিতিৰ সহযোগত আৰু ভেল্লাবাসী ৰাইজৰ আতিথ্যত ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব এই অনুষ্ঠান। মঙলবাৰে সংগঠনটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সভাপতি নুৰুল হকে। তেওঁৰ সৈতে উপস্থিত থাকে কেন্দ্ৰীয় আৰু বৰপেটা জিলা সমিতিৰ বিষয়ববীয়াসকল। তাৰ পাছত গছপুলি ৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। অহা ৮ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱস উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে বৰপেটাৰ ভেল্লাত। সিদিনাৰ কাৰ্যসূচীৰ মূল তোৰণ মুকলি কৰিব বিশিষ্ট সমাজকৰ্মী অনিল কুমাৰ দাসে, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে। দিনৰ ২ বজাত কেন্দ্ৰীয় সভাপতি নুৰুল হকৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত উপস্থিত থাকিব সদৌ অসম উকিল সন্থাৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ND ২৪ ৰ মুখ্য সম্পাদক তথা বিশিষ্ট সাংবাদিক ৰাজদীপ বাইলুং বৰুৱা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, অসম জাতীয় যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠনৰ সভাপতি-সম্পাদকসকল। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ অধিবক্তা তথা উত্তৰ পূব হজ কমিটীৰ অধ্যক্ষ নেকিবুৰ জামান, স্মৃতিগ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকিব নিউজ লাইভৰ মুখ্য পৰিচালন সম্পাদক চৈয়দ জাৰিৰ হুছেইন, বৰপেটা আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, গৰিয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ হাফিজুল আহমেদ, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা চহিৰ ভূঞা, বিশেষ উপদেষ্টা আজিজুল ৰহমানকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। সভাত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসক প্ৰদান কৰা হ'ব 'শংকৰ-আজান সমন্বয় অসম হিতৈষী বটা'। সন্ধিয়া ৭ বজাত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব বৰনগৰৰ বিশিষ্ট সমাজসেৱক মহেন্দ্ৰ দাসে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, প্ৰাক্তন বিধায়ক তাৰা প্ৰসাদ দাস, প্ৰাক্তন বিধায়ক গুনীন্দ্ৰ নাথ দাস, সংগঠনটোৰ উপদেষ্টা ফাইজুৰ ৰহমান, প্ৰতিষ্ঠা দিৱস উদযাপন সমিতিৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি তথা সাংবাদিক কমলেশ বৈশ্য আৰু সম্পাদক তথা সাংবাদিক আজিজুল হক প্ৰমুখ্যে গণ্য মান্য ব্যক্তিসকল। অসমৰ জাতীয় জীৱনৰ ৰূপৰেখা প্ৰতিফলিত হ'ব পৰাকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব এই প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসত দেখিবলৈ পোৱা যাব অসমৰ ভাষা, সাহিত্য, সংস্কৃতি, অস্তিত্ব ৰক্ষাৰ কাণ্ডাৰীসকলক। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হ'ব। সেই উপলক্ষে সম্পন্ন হৈছে প্ৰস্তুতি। জন্মলগ্নৰে পৰা ৰাজনৈতিক আৰু সামাজিকভাৱে বিভিন্ন ক্ষেত্ৰত অসমৰ নিপীড়িত, নিষ্পেষিত, অৱহেলিত গৰিয়া, মৰিয়া আৰু দেশী জনগোষ্ঠীৰ লোকসকলৰ প্ৰাপ্য, অধিকাৰৰ বাবে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে সংগ্ৰাম অব্যাহত ৰাখিছে বুলি কেন্দ্ৰীয় সভাপতি নুৰুল হকে কয়।

# কলগাছিয়াৰ জুপিটাৰ মডেল একাডেমীৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, কলগাছিয়া, ৪ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ব্যক্তিগত খণ্ডৰ বনঘূগী জুপিটাৰ মডেল একাডেমীৰ বিদ্যালয় চৌহদত দ্বিতীয় বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। বাৰ্ষিক অধিৱেশনৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ তথা বৰভিঠা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মজিবৰ ৰহমানে আৰু বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশনৰ মুকলি সভা আৰু বিচিত্ৰানুষ্ঠান উদ্বোধন কৰে প্ৰতিষ্ঠাপক সভাপতি তথা বনঘূগী ব্লক কংগ্ৰেছৰ সভাপতি আবু শামা আহমেদে। বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ সভাপতিৰ আসন অলংকৃত কৰে পৰিচালনা সমিতিৰ সভাপতি তথা বনঘূগী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি দেৱান আব্দুল কৰিমে। মুকলি সভাত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপ-সঞ্চালক ছাদুল্লা খাঁনে শিক্ষাৰ ক্ষেত্ৰত মূল অস্ত্ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল বুলি উল্লেখ কৰাৰ লগতে শিক্ষাৰ বাবে আন্তঃ গাঁথনিৰ প্ৰয়োজন নাই বুলি মতপোষণ কৰে। এই ক্ষেত্ৰত সকলো দিশতে শিক্ষক-শিক্ষয়িত্ৰীয়ে উদ্যোগ ল'ব লাগিব বুলি তেওঁ কয়। ইয়াৰ উপৰি সাম্প্ৰতিক পৰিস্থিতি আৰু শিক্ষাৰ ওপৰত মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক গাজিবৰ ৰহমানে ভাষণ ৰাখে। পুৰুষৰ তুলনাত আই-মাতৃসকলৰ উপস্থিতি অধিক দেখিবলৈ পোৱাটোৰে সমাজক শিক্ষাৰ পিনে আগুৱাই লৈ



যোৱাত অৰিহণা যোগাব বুলি তেওঁ ব্যক্ত কৰে। কলগাছিয়া নৱজ্যোতি মহাবিদ্যালৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আবু বক্কাৰ ছিদ্দিকে শিক্ষাৰ ওপৰত বিভিন্ন ধৰণৰ উদাহৰণৰ সৈতে মূল্যৱান মন্তব্য আগবঢ়ায়। যিজন ছাত্ৰই যি বিভাগত পাৰ্গত সেই বিষয়ত পাৰদৰ্শিতাৰ প্ৰতি অভিভাৱকসকলে উদ্যোগ ল'ব লাগিব বুলি কয়। এইখন বিদ্যালয়ৰ অধিৱেশনে অন্যতম ভূমিকা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জ্যোতি সংগীত, জিকিৰ জাৰী, ভাওনা, গোৱালপৰীয়া, ৰাজবংশী, বিহু নৃত্য, কালজয়ী গীতৰ সমাহাৰ হোৱাৰ বাবে তেওঁ সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বিশিষ্ট ব্যৱসায়ী আব্দুল আওৱালে বিদ্যালয়ৰ আন্তঃ গাঁথনি নথকা সত্বেও এই ধৰণৰ ভাল প্ৰদৰ্শন খুবেই আমোদজনক আৰু আশাজনক বুলি অভিহিত কৰে। ইয়াৰ উপৰি বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ হাসমত আলী আহমেদে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত সুদৃষ্টি ৰাখিবলৈ শিক্ষকসকলক আহ্বান জনায়। মঞ্চত গীত-মাত কথাৰে, নৃত্য পৰিচালনাত সহায় কৰে সাংস্কৃতিক বিভাগৰ সহকাৰী শিক্ষক ছাইফুল ইছলাম, ৰাহিবুল ইছলাম, সাংবাদিক আৰু সাহিত্যিক শ্বাহাজুল ইছলামে। অনুষ্ঠানত পুৱা ১০ বজাৰ পৰা ৰাতি ১১ বজালৈ শান্তি পূৰ্ণভাৱে বিভিন্ন গীত-মাত, নৃত্য, মুকলি সভা, সম্বৰ্ধনা আদি কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰা হয়। সভাত উপস্থিত থকা অতিথিবৰ্গক সম্বৰ্ধনা জনায় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক তথা ১৬৮২ নং উত্তৰ ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আয়নাল হক দেৱানে। মঞ্চ পৰিচালনাৰ দায়িত্বত থাকে শ্বাহাজুল ইছলাম আৰু ৰাহিবুল ইছলাম। সদৌ শেষত জুপিটাৰ মডেল একাডেমীৰ অধ্যক্ষ মজিবৰ ৰহমানে শলাগৰ শৰাই আগবঢ়ায় আৰু বাৰ্ষিক অধিৱেশনৰ কাৰ্যক্ৰমণিকাৰ সামৰণি মাৰে।

## ক্ৰীড়া সংগঠক, শিক্ষক তথা চাহ জনজাতি জাতীয় সন্মিলনৰ সভাপতিৰ মৃত্যুত হোজাইত শোক

**ই-সংবাদ, মোৰাঝাৰ, ৪ ফেব্ৰুৱাৰীঃ** হোজাই জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ অন্তৰ্গত শংকৰ বস্তি নিবাসী, বৰবহা মডেল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক, আটছাৰ হোজাই শাখাৰ প্ৰাক্তন সভাপতি, শ্ৰীমন্ত শংকৰদেৱ নগৰ ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, প্ৰাক্তন জিলা পৰ্যায়ৰ প্ৰথম হকী খেলুৱৈ, সদৌ অসম গৌড় সমাজৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা আৰু প্ৰাক্তন সদৌ অসম গৌড় সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি তথা চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি কৃষ্ণ সিং গৌড়(৭০)ৰ গুৱাহাটীত চিকিৎসাধীন অৱস্থাত যোৱা নিশা মৃত্যু হোৱাত সমগ্ৰ জিলাখনত শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা আৰু চাহ জনজাতি জাতীয় সন্মিলনীৰ সাধাৰণ সম্পাদক অৰুণ কাঁৱৰে গভীৰ শোক প্ৰকাশ কৰি আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আজি মৃতদেহ ঘৰ পোৱাৰ পাছত চাহ জনজাতি জাতীয় সন্মিলনীৰ কেন্দ্ৰীয় সদস্য তুলসী চাহু, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা আৰু জাতীয় সন্মিলনীৰ সম্পাদক ৰবি উজিৰ, সদৌ অসম গৌড় সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰামকৰণ গৌড়, আটছাৰ হোজাই শাখাৰ সভাপতি মনোজ কুমাৰ গৌড়, শিক্ষা সম্পাদক ওম প্ৰকাশ গৌড়, বিদ্যালয়ৰ ষ্টাফ আৰু কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ভালে সংখ্যক গুণমুগ্ধ, আত্মীয়-কুটুমে তেওঁক অন্তিম শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। মৃত্যুৰ সময়ত পুত্ৰ কন্যাসহ বহু আত্মীয়ক এৰি থৈ গৈছে।

## নৱজ্যোতি যুৱ ক্লাবৰ নতুন কমিটি

**ই-সংবাদ, শিমলীতোলা, ৪ ফেব্ৰুৱাৰীঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ শান্তিপুৰ কামাৰপোতা গাঁৱৰ সামাজিক সংগঠন শান্তিপুৰ কামাৰপোতা নৱজ্যোতি যুৱ ক্লাবৰ বৰ্তমানৰ কমিটীৰ কাৰ্যকাল ইতিমধ্যে উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত নতুন কমিটী গঠনাৰ্থে সোমবাৰে শান্তিপুৰ কামাৰপোতা নৱজ্যোতি যুৱ ক্লাবৰ কাৰ্যালয় প্ৰাংগণত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। শান্তিপুৰ কামাৰপোতা অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, ছাত্ৰ, শান্তিপুৰ কামাৰপোতা নৱজ্যোতি যুৱ ক্লাবৰ প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়া তথা ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত শান্তিপুৰ কামাৰপোতা নৱজ্যোতি যুৱ ক্লাবৰ ২০২৪-২০২৫ ইং বৰ্ষৰ নতুন কমিটী গঠন কৰা হয়। ক্লাবৰ সদ্য বিদায়ী সভাপতিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শান্তিপুৰ কামাৰপোতা নৱজ্যোতি যুৱ ক্লাবৰ বিভিন্ন সাংগঠনিক দিশ আলোচনা কৰি জুৰি কমিটীৰ জৰিয়তে ছুৰমান আলীক সভাপতি আৰু মুস্তাফিজুৰ ৰহমানক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন শক্তিশালী কমিটী গঠন কৰি দিয়ে।

### প্ৰশাসনিক ভৱন, কনফাৰেন্স হলৰ কৰিলে শুভ উদ্বোধন

# বৰপেটাৰোডত ছিমেন বুল ষ্টেশ্যনত উপস্থিত মন্ত্ৰী কৃষ্ণেন্দু পাল

**ই-সংবাদ, বৰপেটাৰোড, ৪ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ বাৰাপেটাস্থিত উত্তৰ পূৰ্বাঞ্চলৰ এক মাত্ৰ ছিমেন বুল ষ্টেশ্যনত উপস্থিত হৈ পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে দেওবাৰে ফ্ৰজেন ছিমেন বুল ষ্টেশ্যনৰ প্ৰশাসনিক ভৱন আৰু কনফাৰেন্স হলৰ শুভ উদ্বোধন কৰে। ৰাজ্যখনত অধিক হাৰত দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত কেবিনেট বৈঠকত চৰকাৰে লোৱা সিদ্ধান্তক অধিক ফলপ্ৰসূ হোৱাৰ বাবে বৰপেটাৰোডৰ এই ছিমেন বুল ষ্টেশ্যনটো পৰ্যবেক্ষণ কৰে মন্ত্ৰীগৰাকীয়ে। লগতে আগন্তুক ২০২৭ বৰ্ষৰ ভিতৰত অসমত দৈনিক ১০ লাখ লিটাৰ গাখীৰ প্ৰক্ৰিয়াকৰণ কৰিব বুলিও জনায় মন্ত্ৰীগৰাকীয়ে। গাখীৰ উৎপাদনৰ ক্ষেত্ৰত যাতে অসমে এক স্থান লাভ কৰিব পাৰে তাৰ বাবে ২০২৭ৰ ভিতৰত লক্ষ্য বান্ধি লোৱা হৈছে বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। আনহাতে, ১০ মাহ ধৰি দৰমহা নোপোৱা ফাৰ্ম হেণ্ড ১৬৬ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীক দৰমহা দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে বিভাগীয় মন্ত্ৰীগৰাকীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে এএলডিএৰ চিইঅ' মনিদীপ দাস, বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত জয়ন্ত বৰাৰ লগতে বহুকেইজন উচ্চপদস্থ বিষয়া।



**বৰপেটাৰোডত ছিমেন বুল ষ্টেশ্যনত উপস্থিত মন্ত্ৰী কৃষ্ণেন্দু পাল, ফটোঃ ই-সংবাদ, বৰপেটাৰোড**

# শুক্লাইত ছাত্ৰৰ মৃত্যুক লৈ উত্তপ্ত পৰিস্থিতি, মৃতদেহ লৈ প্ৰতিবাদ

**ই-সংবাদ, ডিমাকুছি, ৪ ফেব্ৰুৱাৰীঃ** টংলাৰ সহপাঠীৰ হাতত ছাত্ৰৰ মৃত্যুৰ ঘটনাৰ ৰেশ মাৰ নৌযাওঁতেই অনুৰূপ আন এক ঘটনা সংঘটিত হৈছে। এইবাৰ সংঘটিত হৈছে ওদালগুৰি জিলাৰ শুক্লাইত। প্ৰাপ্ত তথ্য অনুসৰি ডিমাকুছি থানাৰ অন্তৰ্গত শুক্লাইৰ এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰক নিজ পেহীয়েকৰ ল'ৰাই হত্যা কৰি পেলাই দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লগতে স্থানীয় লোক আৰু দল-সংগঠনৰ ছাত্ৰকৰ্মীয়ে। পেহীয়েকৰ ল'ৰাই হত্যা কৰাৰ অভিযোগত মঙলবাৰে সন্ধিয়া শুক্লাইত উত্তাল পৰিৱেশৰ সৃষ্টি কৰে ৫ শতাধিক লোকে। হত্যাকাৰীক শাস্তিৰ দাবীত উত্তেজিত লোকে প্ৰায় একঘণ্টা ধৰি ওদালগুৰি-তামুলপুৰ পথ আৱদ্ধ কৰি ৰাখে। ঘটনাৰ বিৱৰণী অনুসৰি শুক্লাইৰ সুধাংশু দাস আৰু অনিমা দাসৰ জ্যেষ্ঠ পুত্ৰ তথা শুক্লাই নেহৰু মেমোৰিয়েল হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ জয়দেৱ দাস (১৬) ওৰফে জিন্তু দাসক সৰস্বতী পূজাৰ দিনা হত্যা কৰি পেলোৱাৰ সন্দেহ আত্মীয়ৰ ওপৰত। সোমবাৰে সৰস্বতী পূজা উপলক্ষে নিজৰ বিদ্যালয়ত ব্যস্ত থকাৰ সময়তে সন্ধিয়া জয়দেৱৰ পেহীয়েকৰ ল'ৰা তুষাৰ দাসে জিন্তুক ফোনযোগে মাতি নাগ্ৰীজুলিলৈ ফুৰিবলৈ লৈ যায়। আত্মীয় লোকে মতা বুলি কৈ নিজ গৃহৰ পৰা ওলাই যোৱাৰ পৰা সন্ধানহীন হৈ আছিল জয়দেৱ দাস নামৰ ছাত্ৰজন। সৰস্বতী পূজাৰ নিশা নাগ্ৰীজুলি আৰক্ষীয়ে এটা মন্দিৰৰ সমীপত জয়দেৱৰ মৃতদেহ উদ্ধাৰ কৰে। পিছত ঘটনাস্থলীত নাগ্ৰীজুলি আৰক্ষী উপস্থিত হৈ জয়দেৱৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্ৰেৰণ কৰে। প্ৰথমতে এই ঘটনা দুৰ্ঘটনা হোৱা বুলি প্ৰচাৰ হৈছিল যদিও পিছত শৰীৰত আঘাতৰ চিন স্পষ্ট হোৱাত এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি পৰিয়াল, সদৌ বিটিআৰ বেংগলী যুৱ ছাত্ৰ ফেডাৰেচনৰ ডিমাকুছি আৰু ৰজাগড় আঞ্চলিক সমিতি, ডিমাকুছি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাকি ধৰি দল-সংগঠন আৰু স্থানীয় ৰাইজে অভিযোগ কৰে। মঙলবাৰে মৃতদেহ নিজ গৃহত আহি পোৱাৰ পিছত উত্তেজিত লোকে ওদালগুৰি-তামুলপুৰ আৱদ্ধ কৰাৰ লগতে অসম পুলিচ হায়-হায়, অসম পুলিচ গ' বেক, হত্যাকাৰীক ফাঁচী দিয়ক, হত্যাকাণ্ডৰ উচিত তদন্ত কৰক বুলি হত্যাকাৰীক ফাঁচীৰ দাবী জনায়। ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহানন্দ ভূঞাৰ নেতৃত্বত যোৱা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে হত্যাকাণ্ডৰ লগত জড়িত দোষীক আটক কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।



যোৰহাটৰ ম'হবন্ধাৰ এৰালতলি পথাৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

## আগমনি থানাৰ মধ্যভোগী হিচাপে পৰিচয় দিছিল আইনুলে

# ৰাইজক হাৰাশাস্তি কৰি ৰঙাঘৰৰ আলহী হ'ল থানাৰ দালাল

**ই-সংবাদ, গোলকগঞ্জ, ৪ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ মধ্যভোগী হিচাপে পৰিচয় দিয়া আইনুলে আৰক্ষীৰ নামত গাঁৱত ভীতি প্ৰদৰ্শন কৰি ধন দাবী কৰি আজি আৰক্ষীৰ জালত পৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, খেৰবাৰী প্ৰথম খণ্ড গাঁৱৰ প্ৰয়াত আছিৰুদ্দিনৰ পুত্ৰ কাপোৰৰ ব্যৱসায়ী আইনুল হক আগমনি আৰক্ষীৰ লগত সনাপিটিকা কৰি কৰি লাহে লাহে ভাৰপ্ৰাপ্ত বিষয়াৰ অতি ঘনিষ্ঠ হৈ পৰে। ইয়াৰে সুযোগ লৈ থানাখনত ব্যাপক হাৰত দালালি আৰম্ভ কৰে আইনুলে। থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আচামীৰ ঘৰে ঘৰে গৈ তেওঁ বিভিন্ন দাবী-ধমকি দিয়াৰ লগতে অসম-পশ্চিমবংগ সীমান্ত অঞ্চলত চলি থকা বিভিন্ন অবৈধ ব্যৱসায়ীৰ পৰা আৰক্ষীৰ নামত ধন সংগ্ৰহ কৰি আহিছিল। তেওঁক মেনেজ নকৰিলে কোনো বাহন ইফাল সিফাল কৰিব নোৱাৰে। ৩০ জানুৱাৰীত ব্যৱসায়ী এক্ৰামুল হক সৰকাৰৰ পৰা বলপূৰ্বক ধন দাবী কৰে। দাবীকৃত ধন নিদিলে বাহনসহ এক্ৰামুলক জ্বলাই দিয়াৰো ভাবুকি দিয়ে। পিছদিনা পুৱা পাঁচ বজাত এক্ৰামুল প্ৰাতঃভ্ৰমণলৈ ওলোৱাৰ সময়তো মুখত ক'লা কাপোৰ বান্ধি আইনুলে আন দুই সহযোগীৰ লগত আক্ৰমণৰ পৰিকল্পনা কৰে। ছেগ বুজি এক্ৰামুল পলাই সাৰে। অকল এক্ৰামুলকে নহয় আন ব্যৱসায়ীসকলৰ পৰাও আৰক্ষীৰ নামত ধন দাবী কৰি এক প্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰিছিল আইনুলে। আইনুলৰ অত্যাচাৰত অতিষ্ঠ হৈ ৩১ জানুৱাৰীত গাঁওখনৰ শতাধিক লোক গোট খাই আগমনি থানাত উপস্থিত হৈ আইনুলৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰে। পিছত ভাৰপ্ৰাপ্ত বিষয়াৰ লগত আলোচনাত মিলিত হৈ এক্ৰামুল হক আৰু নৌসাদ আলীয়ে পৃথক পৃথকে দুখন এজাহাৰ দাখিল কৰে। আগমনি আৰক্ষীয়ে এই সন্দৰ্ভত ১৪/২৫ আৰু ১৫/২৫ নম্বৰত দুটা গোচৰ পঞ্জীয়ন কৰে। আজি আৰক্ষীয় উক্ত গোচৰৰ ভিত্তিত আইনূলক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে।

# দৰং কেঞ্চাৰ কেন্দ্ৰত বিশ্ব কৰ্কট দিৱস

**ই-সংবাদ, দুমুনিচকী, ৪ ফেব্ৰুৱাৰীঃ** অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা অসমৰ বিভিন্ন জিলাত কেঞ্চাৰ কেন্দ্ৰৰ অন্যতম দৰং কেঞ্চাৰ কেন্দ্ৰৰ উদ্যোগত দৰং কেঞ্চাৰ কেন্দ্ৰত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব কৰ্কট দিৱস পালন কৰে। ৰাতিপুৱা প্ৰায় ৯.৩০ মান বজাত দৰং কেঞ্চাৰ কেন্দ্ৰৰ পৰাৰ বিশ্ব কৰ্কট দিৱস উপলক্ষে এক ৰেলী উলিয়াই। বিশ্ব কৰ্কট দিৱসৰ লগত সংগতি ৰাখি উলিওৱা কেঞ্চাৰ সজাগতা মুলক ৰেলী উদ্বোধন কৰে দৰঙৰ অতিৰিক্ত আয়ুক্ত মানস কুমাৰ শইকীয়াই। দৰং কেঞ্চাৰ কেন্দ্ৰৰ চিকিৎসক কৰ্মচাৰী আৰু মঙলদৈ অসামৰিক চিকিৎসালয়ৰ জি এন এম প্ৰশিক্ষণ গ্ৰহণ কৰি থকা নাৰ্চ সকলে অংশগ্ৰহন কৰে। কেঞ্চাৰ ৰোগৰ সাৱধানতা আৰু সজাগতামূলক শ্লোগান হাতে হাতে প্লে কাৰ্ড লৈ অংশগ্ৰহন কৰে আৰু শ্লোগান সমূহ ধুম্ৰপান কৰক বৰ্জন, স্বাস্থ্য হৈছে সৰ্বোত্তম ধন,নিচাক নাকচ কৰা জীৱনক আকোৱালি লোৱা,সজাগ হওঁক কৰ্কট ৰোগৰ বিৰোদ্ধে যুঁজক ,লাজ নকৰি সচেতন হওক প্ৰাথমিক চিনাক্তৰ বাবে আগুৱাই আহক,ইত্যাদি শ্লোগান লৈ মঙলদৈ চহৰৰ মাজেৰে উলিওৱা ৰেলীত প্ৰায় শতাধিক লোকে অংশগ্ৰহন কৰে। দৰং কেঞ্চাৰ কেন্দ্ৰত বিশ্ব কৰ্কট দিৱস উপলক্ষে কেঞ্চাৰ সজাগতা সভা এখনি অনুষ্ঠিত হয়। দৰং কেঞ্চাৰ কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই আঁত ধৰা কেঞ্চাৰ সজাগতা সভাত উপস্থিত থাকি বিশ্ব কৰ্কট দিৱসৰ লগতে কেঞ্চাৰ ৰোগৰ সজাগ আৰু সাৱধানতাৰ উপৰত বক্তব্য দৰং জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ গোস্বামী, দৰং কেঞ্চাৰ কেন্দ্ৰৰ চিকিৎসক ডাঃ সীবা সেন্থ মেয়ৰ, ডাঃ মানস ৰঞ্জন সেনাপতি, ডাঃ ছহিদুল ইছলাম, অসম মহিলা আয়োগৰ উপাধ্যক্ষা নীলিমা দেৱী, ভাৰতীয় ৰেডক্ৰচ ছছাইটি দৰং জিলা সমিতিৰ সম্পাদক হৰিচন্দ্ৰ শৰ্মা, ভাৰতীয় জনতা পাৰ্টীৰ মহিলা মৰ্চাৰ ৰাজ্যিকৰ উপসভানেত্ৰী প্ৰেমদা ভূঞা, খাৰুপেটীয়া পৌৰসভাৰ পৌৰপতি কৃষ্ণা সাহা,ভাৰতীয় জনতা পাৰ্টীৰ মঙলদৈ মণ্ডলৰ সভানেত্ৰী গীতিমা দাস, খাটনীয়াপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী অনিতা ৰাজবংশী,স্বেচ্ছাসেৱী সংগঠন হেল্পিং হেণ্ডৰ অধ্যক্ষ যতীন্দ্ৰ নাথ কৃষ্ণ দাস,দৰঙৰ জ্যেষ্ঠ সাংবাদিক ময়ূখ গোস্বামী, উষাৰাণী নাথ, হৰেশ্বৰ নাথৰ লগতে দৰং কেঞ্চাৰ কেন্দ্ৰৰ কৰ্মচাৰী গৌতম সন্দিকৈ, দীপমনি শৰ্মা, চবনম নাৰ্গিচ হুছেইন, জেচমিনআৰা বেগম, নয়না শৰ্মা, অৰুণ গোঠী, দীপু ডেকা, গকুল ডেকা, মঙলদৈ জি.এন প্ৰশিক্ষন কেন্দ্ৰৰ প্ৰশিক্ষক চন্দ্ৰমীতা বৰমন, স্বেচ্ছাসেৱী অনুষ্ঠান আশাৰ আলোক, মানুহে মানুহৰ বাবে দৰং অসমৰ সদস্য জিতুমণি চহৰীয়া, হেল্পিং হেণ্ড সংস্থাৰ সদস্য অমল চন্দ্ৰ কলিতা, অনুপমা কুৰ্মী, ইউনিটি উই দ্যা ব্লাড ড'নাৰচ ৰ সদস্য কিশোৰ চহৰীয়া, অঞ্জলি শৰ্মা, ভাৰতীয় জনতা পাৰ্টীৰ মহিলা মৰ্চাৰ সদস্যা ৰানী দেৱী, ৰেনু নাথ,শীলা চহৰীয়া,বিনীতা শইকীয়া, মঙলদৈ মিডিয়া ফৰামৰ সম্পাদক নৱ মহন্ত, সাংবাদিক মৃদুল হাজৰিকা, উজ্জ্বল জ্যোতি ডেকাৰ লগতে কেইবাটাও সামাজিক অনুষ্ঠানৰ একাধিক ব্যক্তি উপস্থিত থকাৰ লগতে কেঞ্চাৰ ৰোগী, মঙলদৈ জি এন প্ৰশিক্ষন কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে দৰং কেঞ্চাৰ কেন্দ্ৰৰ কৰ্মচাৰীসকল।

## ঋষেশ্বৰ ঠেঙাল শইকীয়ালৈ 'হোছেন আলী সৰকাৰ ভাষা সংগঠক বঁটা' বঁটা

**ই-সংবাদ, মৈৰাবাৰী, ৪ ফেব্ৰুৱাৰীঃ** গুৱাহাটী প্ৰেছ ক্লাবত যোৱা ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত অসমীয়া সাহিত্য সন্মিলনীৰ ২০২৩-২০২৫ বৰ্ষৰ বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট কবি, লেখক, সুচিকিৎসক ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াক 'অসমীয়া সাহিত্য সন্মিলনী'ৰ তৰফৰ পৰা 'হোছেন আলী সৰকাৰ ভাষা সংগঠক বঁটা' প্ৰদান কৰা হয়। ধিঙত 'জাগৰণ সাহিত্য গোষ্ঠী' গঠন কৰি 'জ্যোতিৰিংগণ' আলোচনীৰে ন ন কবি-লেখক সৃষ্টি কৰি গাঁৱে গাঁৱে সভা পাতি সাহিত্য বিষয়ক আলোচনাৰে ধিঙৰ মানুহৰ মাজত এক জাগৰণ সৃষ্টি কৰা ঠেঙাল শইকীয়াই বঁটা গ্ৰহণ কৰি তেওঁৰ বক্তব্যত কয় যে আমি সাহিত্যিক, সাংবাদিক, চিকিৎসক হোৱাৰ আগতে প্ৰথম মানুহ হ'বলৈ যত্ন কৰিব লাগিব। দ্বিতীয়তে আমি এজন সুস্থতাৰ অধিকাৰী হ'লেহে নিজৰ লগতে সমাজৰ কাম কৰাৰ মানসিকতা গঢ় লৈ উঠিব। উল্লেখ্য যে এই বঁটাৰ দাতা মৈৰাবাৰী অঞ্চলৰ সুসন্তান তথা মৈৰাবাৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক দলিল আহমেদ। আহমেদে প্ৰতি বছৰেই তেওঁৰ ককাদেউতা হোছেন আলী চৰকাৰৰ নামত এই বঁটা আগবঢ়াই আহিছে। হোছেন আলী সৰকাৰে ১৮৯৯ চনতে "মৈৰাবাৰী বালক প্ৰাথমিক বিদ্যালয়" নামেৰে এখনি প্ৰাথমিক শিক্ষাৰ বুনিয়াদ গঢ়ি তুলিছিল।

## ওদালগুৰিত বিশ্ব কৰ্কট দিৱস উপলক্ষে সজাগতা সমদল

**ই-সংবাদ, ওদালগুৰি, ৪ ফেব্ৰুৱাৰীঃ** অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা অসমৰ বিভিন্ন জিলাত কেঞ্চাৰ কেন্দ্ৰসমূহৰ অন্যতম দৰং কেঞ্চাৰ কেন্দ্ৰৰ ওদালগুৰি জিলাৰ কেঞ্চাৰ কমিউনিটি প্ৰগ্ৰেমৰ উদ্যোগত আৰু দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব কৰ্কট দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা প্ৰায় ৯.৩০ মান বজাত ৰৌতা আদৰ্শ চিকিৎসালয়ৰ পৰা বিশ্ব কৰ্কট দিৱস উপলক্ষে এক সজাগতা সমদল উলিওৱা হয়। বিশ্ব কৰ্কট দিৱসৰ লগত সংগতি ৰাখি কেঞ্চাৰ সজাগতামূলক সমদলত দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, ৰৌতা আদৰ্শ চিকিৎসালয়ৰ চিকিৎসক, নাৰ্চ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়া সকলৰ লগতে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ বিষয়ববীয়া-কৰ্মচাৰীৰ লগতে বহুতো লোকে অংশগ্ৰহণ কৰে। এই সজাগতা সমদলৰ অন্তত চিকিৎসালয় চৌহদত অনুষ্ঠিত সজাগতা সভাত কিদৰে প্ৰাথমিক অৱস্থাত কৰ্কট ৰোগ চিনাক্ত কৰি ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেই সম্পৰ্কে আলোচনা কৰা হয়।

# গেলেকীৰ প্ৰেছ ক্লাবৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৪ ফেব্ৰুৱাৰীঃ** গেলেকী প্ৰেছ ক্লাবৰ তৰফৰ পৰা আজি এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গেলেকী নিবাসী এসময়ৰ কেইবাখনো দৈনিক বাতৰি কাকতৰ সাংবাদিক, লোকশিল্পী তথা প্ৰাক্তন শিক্ষক অনুজ ৰাজখোৱাক সম্বৰ্ধনা জনোৱা হয় গেলেকী প্ৰেছ ক্লাবৰ তৰফৰ পৰা। শাৰিৰীকভাৱে অসুস্থ অনুজ ৰাজখোৱাই তেওঁৰ জীৱন কালত বৰ্তমানলৈকে দৈনিক জনমভূমি, অগ্ৰদূত, চেন্টিনেল, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ আদি অসমৰ সকলো আগশাৰীৰ বাতৰি কাকতৰ লগত জড়িত আছিল। নাজিৰা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক সম্পাদক আছিল অনুজ ৰাজখোৱা। অনুজ ৰাজখোৱাই ২০০০ চনত কমলা শইকীয়া সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা, ২০০২ চনত মানিক চন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা, ২০০৩ চনত কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা, ২০০৩ চনত গ্ৰাম্য ৰত্ন বঁটা, ২০০৪ আৰু ২০০৬ চনত এম এল কাঠবৰুৱা বঁটা, ২০০৫ চনত অভিৰুচিৰ শ্ৰেষ্ঠ ক্ৰীড়া সাংবাদিকতাৰ বঁটা, ২০০৬ চনত ছেন্টিনেল কাকতৰ অসম ভিত্তিত শ্ৰেষ্ঠ অনুসন্ধানমূলক সাংবাদিকতাৰ বঁটা, ২০০৭ চনত আজিৰ অসম কাকতৰ অসম ভিত্তিত শ্ৰেষ্ঠ অনুসন্ধানমূলক সাংবাদিকতাৰ বঁটা আদিকে ধৰি ৩৩ টা বঁটা লাভ কৰিছে। লগতে অনুজ ৰাজখোৱা এগৰাকী যাদুকৰ, আদৰ্শ খেতিয়ক, লোক-নৃত্যবিদ, ক্ৰীড়া সংগঠক, ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনেতা, নাট পৰিচালক, নৃত্য পৰিচালক আদি বিভিন্ন দিশত অৱদান আছে। শ্ৰীকৃষ্ণৰ ৰাসলীলাত কেইবাবাৰো পূৰ্ণ শ্ৰীকৃষ্ণৰ চৰিত্ৰ ৰূপায়ণ আৰু গুৱাহাটী, ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰত বিহু আৰু ৰাস নৃত্য পৰিৱেশন কৰিছিল ৰাজখোৱাই। গড়গাঁও কলেজত পঢ়ি থকা কালত একেৰাহে চাৰিবছৰ শ্ৰেষ্ঠ নৃত্যশিল্পী, শ্ৰেষ্ঠ নাট পৰিচালক, শ্ৰেষ্ঠ অভিনেতা আৰু শ্ৰেষ্ঠ সংগীতশিল্পী হিচাপে নিৰ্বাচিত হৈছিল। অসমৰ বিভিন্ন ঠাইৰ লগতে মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, পুণে, চেন্নাই, হায়দৰাবাদ, ৰাজস্থান, মহাৰাষ্ট্ৰ, দাৰ্জিলিং আদিৰ উপৰি নেপাল, নিকোবৰ দীপপুঞ্জ, মালদ্বীপ আদিত তেখেতৰ নেতৃত্বত যোৱা শিল্পীদলে নৃত্য পৰিৱেশন কৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ২০০৬ চনত উৰিষ্যাৰ ৰাষ্ট্ৰীয় লোকনৃত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠ নৃত্যশিল্পীৰ সন্মান, হিমাচল প্ৰদেশত কালচাৰেল এণ্ড পাব্লিচিটি ৰিচাৰ্চ চেন্টাৰৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় সংস্কৃতি সৌৰভ বঁটা লাভ কৰাৰ লগতে ২০০৭ চনত নেপালৰ কাঠমাণ্ডুত হোৱা আন্তঃৰাষ্ট্ৰীয় লোক সমাৰোহত বিচাৰকৰ আসন গ্ৰহণৰ সুবিধা পায়। অনুজ ৰাজখোৱা এগৰাকী ভাল বিহুৱা। এতিয়ালৈকে ১৫০ খনৰো অধিক বিহুতলীত বিচাৰকৰ আসন গ্ৰহণ কৰিছে অনুজ ৰাজখোৱাই। আজি এই বৰেণ্য ব্যক্তিজনক গেলেকী প্ৰেছ ক্লাবৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে গেলেকী প্ৰেছ ক্লাবৰ উপদেষ্টা শ্ৰী সুৰেশ চেতিয়া, আব্দুল হেলিম, ৰাম নায়ক, ৰবীন বৰঠাকুৰ, সভাপতি ৰাহিদ আলী, উপ-সভাপতি গুণ মৰাণ, সম্পাদক হাফিজ আলী, কোষাধ্যক্ষ বাণী কান্ত গগৈ, সদস্যা দিপালী শইকীয়া।

# ড০ অশোক কুমাৰ গোস্বামী, মনোৰমা বৰুৱা, বীণা ভাগৱতীৰ বিয়োগত শোক প্ৰকাশ

**ই-সংবাদ, গুৱাহাটী, ৪ ফেব্ৰুৱাৰীঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, প্ৰাচ্যতত্ত্ববিদ, সংস্কৃত পণ্ডিত, সাহিত্যিক ড০ অশোক কুমাৰ গোস্বামী, তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, সু-লেখিকা, অভিনেত্ৰী মনোৰমা বৰুৱা আৰু ৰাজ্য চৰকাৰৰ শিল্পী বঁটা লাভ কৰা যশস্বী কণ্ঠশিল্পী বীণা ভাগৱতীৰ বিয়োগত ৰাজ্যৰ ভিন ভিন ক্ষেত্ৰৰ দল-সংগঠনে একেমুখে গভীৰ শোক প্ৰকাশ কৰে। এদিন -দুদিনৰ ব্যৱধানত অসমক মহীয়ান কৰা এইসকল মনীষীৰ মৃত্যু অসমৰ বাবে এৰাব নোৱাৰা ক্ষতি বুলি সকলোৱে মতপোষণ কৰে। সংবাদ প্ৰতিষ্ঠানলৈ শোক-বাৰ্তা প্ৰেৰণ কৰে বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, অসমৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, "জ্যোতিৰূপা" ৰ সাধাৰণ সম্পাদক ড০ নৰেন হাজৰিকা, অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰমেন কলিতা, আকাশবাণী, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৱনী ৰঞ্জন পাঠক, নাথ সাহিত্য সভা, অসমৰ সভাপতি ড০ হৰ কুমাৰ নাথ, অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈ, নিখিল ৰাভা লেখিকা সমাৰোহ সমিতিৰ মুখ্য উপদেষ্টা ড০ মলিনা দেৱী ৰাভা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, পূৰ্বোত্তৰ ভাষা কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষ তাৰিণী কান্ত গোস্বামী, নাৰী কল্যাণ মঞ্চ, অসমৰ সচিব প্ৰধান ড০ অসমী গগৈ, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, বিশিষ্ট গীতিকাৰ-সুৰকাৰ ডিজেন কাকতি, প্ৰবীণ লেখক দুৰ্গা প্ৰসাদ শৰ্মা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ কামৰূপ জিলা সমিতিৰ সভাপতি মদন দাস, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান "ৰং" আদি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# কামপুৰ আঞ্চলিক অসমীয়া সাহিত্য সন্মিলনী ভংগ

**ই-সংবাদ, কামপুৰ, ৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ অন্তৰ্গত একমাত্ৰ কামপুৰ আঞ্চলিক শাখাখন ভংগ কৰা হৈছে বুলি মুখ্য উপদেষ্টা মোলান লস্কৰ আৰু আঞ্চলিকখনৰ সভাপতি গুণ কাকতীয়ে জানিবলৈ দিয়ে। শেহতীয়াকৈ জিলাখনৰ সংগঠনটোৰ বিষয়ববীয়াই সাংগঠনিক কাম-কাজ আৰু অসমীয়া সাহিত্য আদি সৃষ্টিৰ বিপৰীতে নেতৃত্বৰ স্বয়ম্ভুবাদত পতিত হৈ সংগঠনটিলৈ স্থৱিৰতা নমাই অনাৰ বাবেই আঞ্চলিকখনৰ প্ৰতি মানুহৰ মোহ ভংগ হৈছে আৰু এনে হৈ থকাৰ বাবেই নেতাদ্বয়ে অসমীয়া সাহিত্য সন্মিলনীৰ কামপুৰ আঞ্চলিকখন ভংগ কৰা হৈছে বুলি সাংবাদিকক জানিবলৈ দিয়ে।

# গেলেকীত নিৰুদ্দেশ যুৱক



**ই-সংবাদ, গেলেকী, ৪ ফেব্ৰুৱাৰীঃ** গেলেকী আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াৰ হাবিচুকৰ নবুল আলীৰ পুত্ৰ ৰুবুল আলী(৩৭) বিগত ১৩ জানুৱাৰীৰ পৰা নিৰুদ্দেশ হৈ আছে। ভোগালী বিহুৰ উৰুকাৰ নিশা ভোজ খাবলৈ ওলাই যোৱাৰ পিছৰে পৰা আজিলৈকে ঘৰলৈ উভতি অহা নাই প্ৰায় ৩৭ বছৰীয়া ৰুবুল আলী নামৰ যুৱকজন। ভুক্তভোগী পৰিয়ালে এই সম্পৰ্কে লিখিত অভিযোগ দাখিল কৰিছে গেলেকী আৰক্ষী থানাত। জানিব পৰা মতে, যুৱকজন স্থানীয় আন দুজন সতীৰ্থৰ সৈতে ৰে'লেৰে যাত্ৰা আৰম্ভ কৰিছিল। কিন্তু ৰে'লেৰে ক'লৈ গৈছিল সেই বিষয়ে জ্ঞাত নহয় পৰিয়ালবৰ্গ। পৰৱৰ্তী সময়ত লগৰ বাকী দুই সতীৰ্থ ঘৰলৈ উভতি আহিল যদিও ওভতি নাহিল ৰুবুল আলী নামৰ যুৱকজন। আজি ২০ দিনৰো অধিক সময় উকলি যোৱাৰ পাছতো যুৱকজন ঘৰলৈ ঘূৰি নহাত শংকাত পৰিছে পৰিয়ালবৰ্গ। ঘটনা সন্দৰ্ভত গেলেকী আৰক্ষীয়ে প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰিছে। লগতে কোনো সদাশয় লোকে যুৱ জনক দেখা পালে ৯৬৭৮৪১৪৫৪৭ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালবৰ্গই। বৰ্তমান গেলেকীৰ আৰক্ষীয়ে তদন্ত ক্ষীপ্ৰগতিৰে আগবঢ়াইছে যদিও বাতৰি লিখা পৰলৈকে যুৱকজনৰ কোনো সন্দেহ ওলোৱা নাই। ইফালে, গেলেকী আৰক্ষীক ক্ষীপ্ৰতাৰে যুৱকজনৰ সন্ধান উলিয়াবলৈ আহ্বান জনাইছে পৰিয়ালবৰ্গই।

# শিমলুগুৰিত ঝংকাৰ নৃত্য কলাকেন্দ্ৰৰ শুভ উদ্বোধন

**ই-সংবাদ, গেলেকী, ৪ ফেব্ৰুৱাৰীঃ** শিমলুগুৰি সোণাৰী পথৰ কাষত নৱপ্ৰজন্মক নৃত্য প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যৰে ঝংকাৰ নৃত্য কলাকেন্দ্ৰৰ আজি শুভ উদ্বোধন কৰা হয়। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ লগত সংগতি ৰাখি আৰম্ভ কৰা নৃত্য কলাকেন্দ্ৰৰ ফিটা কাটি শুভ উদ্বোধন কৰে লাইট কেমেৰা এক্সনৰ মুখ্য সঞ্চালক আক্ৰাম হুছেইনে। ইয়াৰ পিছতে আয়োজন কৰা সভাত লাইট কেমেৰা এক্সনৰ সহঃ সম্পাদক পাপু আহমেদ, প্ৰশিক্ষক চান্টুমণি বৰুৱা, সংবাদকৰ্মীক্ৰমে বিপিন হাজৰিকা, ভাস্কৰজ্যোতি মহন্ত, অংশুমান দত্ত, দীপক চেত্ৰীৰ লগতে অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। কোনো ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে নৃত্যৰ প্ৰশিক্ষণ ল'ব বিচাৰিলে ৮৭৬১৮৯২০৪৯, ৯৩৬৫১ ০৯৮০৯ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ঝংকাৰ নৃত্য কলাকেন্দ্ৰৰ বিষয়ববীয়াসকলে।

# অসম-পশ্চিমবংগ সীমান্তৰ কৃষিভূমিত চলিছে ধ্বংস অভিযান

**ই-সংবাদ, গোলকগঞ্জ, ৪ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তত জিলা প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ সুযোগ লৈ নীতি বহিৰ্ভূতভাৱে কাঠফুলাৰ দৰে ইটা ভাটা গঢ়ি উঠিছে। ইটা ভাটাসমূহৰ বাবে ভূমিপুত্ৰসকলে কৃষি ভূমি হেৰুওৱাৰ শংকাত ভোগাৰ অভিযোগ উত্থাপন কৰিছে কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিয়ে। জিলা সমিতিৰ সাধাৰণ সম্পাদক নিখিল ৰায়ে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়া মতে, আগমনি ৰাজহ চক্ৰ এলেকাৰ খেৰবাৰী ভামডাঙাত অঞ্চলত বৈধ নথি-পত্ৰ বিহীনভাৱে গঢ়ি উঠিছে ইটা ভাটা। ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ লগত বুজাবুজি কৰি কৃষি ভূমিক কৃষিৰ অনুপোযুক্ত বুলি প্ৰমাণপত্ৰ সংগ্ৰহ কৰি ইটা ভাটাসমূহ স্থাপন কৰে। ভাটাসমূহ জনবসতিপূৰ্ণ এলেকাত স্থাপন কৰাত সাধাৰণ ৰাইজৰ জীৱনৰ প্ৰতি ভাবুকি আহি পৰিছে। অভিযোগ মতে, ভাটাসমূহৰ প্ৰদূষণ বিভাগৰো প্ৰমাণপত্ৰ নাই। ইটা ভাটাসমূহৰ পৰা নিৰ্গত হোৱা ক'লা ধোঁৱাই সমগ্ৰ অঞ্চল আৱৰি ৰাখিছে। ইয়াৰ ফলত শিশু, বয়সীয়াল লোক শ্বাস-প্ৰশ্বাসৰ সমস্যাত ভোগাৰ লগতে কৃষি কৰ্মৰ ক্ষেত্ৰত ব্যাপক সমস্যাত পৰাৰো অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ কৃষি ভূমি খনন কৰি ইটা ভাটাত মাটি যোগান ধৰাৰ এক বৃহৎ চক্ৰ সক্ৰিয় হৈ পৰাত অঞ্চলটোৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। বন বিভাগৰে গোপন মিতিৰালি কৰি চক্ৰটোৱে কৃষিভূমি ধ্বংস অভিযানত নামি পৰিছে। চক্ৰটোৱে দুখীয়া ভূমিপুত্ৰ ৰাইজক টকাৰ লোভ দেখুৱাই নিৰ্বিবাদে কৃষিভূমি খনন কৰি মাটিসমূহ যোগান ধৰি আছে। এইদৰে কৃষিভূমি খনন অব্যাহত থাকিলে খুব কম সময়তে কৃষক ৰাইজে খেতি কৰিবলৈ কৃষি ভূমিৰ অভাৱত পৰিব। ভূ-মাফিয়া চক্ৰটোৰ লগত ছাগলীয়া বন গাৰ্ণনিক বিষয়া আৰু অধিকাৰী উপাধিৰ ফৰেষ্টাৰৰ লগত গোপন বুজাবুজিৰ অভিযোগ উত্থাপিত হৈছে। অতিশীঘ্ৰে ভূ-মাফিয়া চক্ৰটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি অবৈধ কৃষিভূমি খনন বন্ধ নকৰিলে ভূমি পুত্ৰই ভূমিহীন হৈ পৰিব বুলি কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিয়ে শংকা প্ৰকাশ কৰিছে।

# কামপুৰত বিজেপি কৰ্মীক হত্যাৰ চেষ্টা

**ই-সংবাদ, কামপুৰ, ৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কুম্ভিৰডুবী কপিলীকানত কপিলীৰ খহনীয়া এলেকাত মথাউৰিৰ নিচেই কাষৰ চৰকাৰী ভূমিত মাটি খনন কাৰ্যত বাধা দিয়াত নিশা মাইনুদ্দিন নামৰ বিজেপি কৰ্মীক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যাৰ চেষ্টা কৰাত সৃষ্টি হয় উত্তেজনাৰ। এই নদী কাষৰ মাটি খননে বৃহত্তৰ কচুৱা, কামপুৰ বৃহত্ত অঞ্চলৰ প্ৰায় কুৰিখনকৈ গাঁও বানত বুৰ যোৱা পৰিলক্ষিত হৈছে। সেই উদ্দেশ্যে স্থানীয় বিজেপি কৰ্মী মাইনউদ্দিনৰ ভাতৃ কলিম উদ্দিনে বাধা দিয়াত কলিম উদ্দিনৰ ককায়েক জনৈক জিয়াবুৰ ৰহমান সহিতে বন মাফিয়াৰ এটা গুণ্ডা বাহীনেয়ে আক্ৰমণ কৰাৰ অভিযোগ তুলি কচুৱা থানাত এজেহাৰ দাখিল কৰাৰ লগতে থানাৰ ভিতৰতে কান্দি কান্দি ন্যায় বিচাৰি মুখ্যমন্ত্ৰী আৰু ডিজিপিক অনুৰোধ জনায় কলিম উদ্দিনৰ পৰিয়ালৰ লোকে।

# মাৰ্ঘেৰিটাত বিশ্ব কৰ্কট ৰোগ দিৱস পালন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৪ ফেব্ৰুৱাৰীঃ** আজি মাৰ্ঘেৰিটাত ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটিৰ মাৰ্ঘেৰিটা সমজিলা শাখাৰ উদ্যোগত মাৰ্ঘেৰিটা মহাবিদ্যালয়ত বিশ্ব কৰ্কট দিৱস উদযাপন কৰা হয়। ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটিৰ মাৰ্ঘেৰিটা সমজিলা শাখাৰ উদ্যোগত উদযাপন কৰা হয় এই দিৱস। ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটিৰ মাৰ্ঘেৰিটা সমজিলা শাখাৰ সম্পাদক পবিত্ৰ বৰগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে আয়োজন কৰা হয় এখন সজাগতা সভা। সজাগতা সভাত টাটা কেন্সাৰ ইনষ্টিটিউটৰ কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ ডানকান খনিকৰে সমল ব্যক্তি ৰূপে উপস্থিত থাকে। ডাঃ ডানকান খনিকৰে কৰ্কট ৰোগৰ কাৰণ, লক্ষণ আৰু চিকিৎসা সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। চিকিৎসকগৰাকীয়ে জন সচেতনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে উত্তৰ-পূৰ্বাঞ্চলত শেহতীয়াকৈ কৰ্কট ৰোগীৰ সংখ্যা অধিক হোৱা পৰিলক্ষিত হৈছে। আজিৰ অনুষ্ঠানত মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সনত দত্ত, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অতনু কাকতী, প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈসহ মাৰ্ঘেৰিটা অঞ্চলৰ বহু সংখ্যক গণ্য মান্য ব্যক্তিৰ লগতে কেইবা শতাধিক স্থানীয় লোকে অংশগ্ৰহণ কৰে।

# সদৌ অসম দেৱদামোদৰ সংঘৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৪ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পুঠিমাৰীত লখাইতৰা(পুঠিমাৰী) নৈৰ পাৰত অৱস্থিত পুঠিমাৰী দুৰ্গাপূজা খলাত অনুষ্ঠিত হ'ব সদৌ অসম দেৱদামোদৰ সংঘৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন। কামৰূপ জিলা দেৱদামোদৰ সংঘ আৰু পুঠিমাৰী আঞ্চলিক দেৱদামোদৰ সংঘৰ আতিথ্যত তিনিদিনীয়া কাৰ্যসূচীৰে অহা ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব এই অধিৱেশন। কামৰূপ জিলা দেৱদামোদৰ সংঘৰ সাধাৰণ সম্পাদক ধনপতি শইকীয়াই বৈদিক সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, সত্ৰ সংস্কৃতিৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰী দামোদৰ দেৱ গুৰুজনাৰ ধৰ্মীয় দৰ্শন, মাৰ্গ, ৰীতি-নীতি প্ৰচাৰ আৰু প্ৰকাশৰ লক্ষ্যৰে অনুষ্ঠিত হ'ব এই অধিৱেশন।

# নাৰায়ণা হাস্পতালত বিশ্ব কৰ্কট দিৱস পালন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৪ ফেব্ৰুৱাৰীঃ** বিশ্ব কৰ্কট দিৱসৰ লগত সংগতি ৰাখি কামৰূপৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ চিকিৎসালয় নাৰায়ণা ছুপাৰ স্পেচিয়েলিটি হাস্পতালত এক অনুষ্ঠানৰ আয়োজন কৰা হয়। জনসাধাৰণৰ মাজত কৰ্কট ৰোগ সম্পৰ্কীয় ভুল ধাৰণা নোহোৱা কৰি প্ৰয়োজনীয় সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শৰীৰ চৰ্চাবিদ প্ৰাক্তন মিষ্টাৰ ইউনিভাৰ্ছ মহাদেৱ ডেকাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিজে কৰ্কট ৰোগত আক্ৰান্ত হৈও কেনেকৈ অদম্য মনোবলৰ বলত সেই ৰোগক পৰাভূত কৰি বিশ্ব শৰীৰ চৰ্চাৰ প্ৰতিযোগিতাৰ মঞ্চত নিজৰ লগতে দেশৰ নামো উজলাই তুলিবলৈ সক্ষম হৈছিল সেই বিষয়ে বিস্তৃতভাৱে নিজৰ বক্তব্যত উল্লেখ কৰে। প্ৰবীণ শৰীৰ চৰ্চাবিদগৰাকীয়ে লগতে কয় যে এক বিজ্ঞানসন্মত সুস্থ জীৱন শৈলীৰ জৰিয়তে কৰ্কট ৰোগক জয় কৰিব পাৰি। কৰ্কট ৰোগত আক্ৰান্ত হৈও কিদৰে তেওঁ সফলতাৰে শৰীৰ চৰ্চা অব্যাহত ৰাখিছে তাৰ নিদৰ্শন হিচাপে এক আকৰ্ষণীয় দৈহিক ভংগিমাও প্ৰদৰ্শন কৰে। অনুষ্ঠানত কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ দিগবিজয় শৰ্মা, ডাঃ নৰেশ যাদৱ, ডাঃ ৰাজকুমাৰ প্ৰকাশ, ডাঃ চৈকত মালিকৰ লগতে চিকিৎসালয়খনৰ অধীক্ষক ডাঃ সৌমাৰ দত্ত আৰু শৈক্ষিক সঞ্চালক শাগ্নিক সাহাও উপস্থিত থাকে। কৰ্কট ৰোগৰ বিশেষজ্ঞসকলে সাৱধানতা, সজাগতা বৃদ্ধি, যৌথ প্ৰচেষ্টা আৰু এক সঠিক দৃষ্টিভংগীৰ জৰিয়তে এই ৰোগ নিৰাময় কৰা সম্ভৱ বুলি কয়। লগতে উল্লেখ কৰে যে সময়মতে কৰ্কট ৰোগৰ চিকিৎসা কৰিলে এই ৰোগ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পাৰি। এই ক্ষেত্ৰত কেমো থেৰাপী, ৰেডিয়েচন আৰু প্ৰয়োজন হ'লে অস্ত্ৰোপচাৰ কৰিলে ৰোগীসকলে আৰোগ্য লাভ কৰিব পাৰে। কৰ্কট ৰোগৰ সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত আমিনগাঁৱৰ নাৰায়াণা ছুপাৰ স্পে.চিয়েলিটি হাস্পতালে বিগত কেইটামান বছৰত বহুকেইটা দৰ্শনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। উল্লেখ্য যে ২০১৯ চনৰ পৰা চিকিৎসালয়খনে কৰ্কট ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত ৰোগীসকলক উন্নত চিকিৎসাও প্ৰদান কৰি আহিছে।



বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈক আদৰ্শ বঁটা প্ৰদান, নামতি চাৰিআলিত

# বেছিমাৰিত কাঠৰ দলং মুকলি বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামৰ

**ই-সংবাদ, কলগাছিয়া, ৪ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ লাচাংগা গাঁও পঞ্চায়তৰ অন্তৰ্গত বেছিমাৰি গাঁৱৰ পকী ব্ৰীজৰ কাষত আন এখন কাঠৰ দলং মুকলি কৰা হয়। জানিব পৰা মতে, পঞ্চদশ বিত্তীয় আঁচনিৰ অধীনত ২০২১-২২ বিত্তীয় বৰ্ষৰ ৬ লাখ ৭১ হাজাৰ ৬০০ টকা ব্যয় সাপেক্ষে নিৰ্মিত দলংখন ৰঙা ফিটা কাটি মুকলি কৰে জনীয়া সমষ্টিৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে। বিধায়কজনৰ সৈতে উপস্থিত থাকে ৰূপসী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মঞ্জুশ্ৰী ঘোষ, এ আই ইউ ডি এফ কলগাছিয়া ব্লক কমিটীৰ প্ৰশাসনিক সম্পাদক আৰমান আলী আৰু ভালেসংখ্যক স্থানীয় গণ্য মান্য ব্যক্তি। উল্লেখ্য যে, কেইবছৰমান আগত হোৱা প্ৰলয়ংকৰী বেঁকী নদীৰ বানপানীয়ে উক্ত দলংখন ভাঙি পেলোৱাৰ ফলত এই বৃহৎ অঞ্চলৰ সৰ্বস্তৰৰ জনসাধাৰণে যমৰ-যাতনা ভুগিব লগীয়া হৈছিল। যাৰ ফলত স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে ৰোগীসকল যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনত ভুগিবলগীয়া হৈছিল। কিন্তু জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁৰ আপ্ৰাণ প্ৰচেষ্টাত এই কাঠৰ দলং অতি শীঘ্ৰেই নিৰ্মাণ কৰি আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাঠৰ দলং মুকলি অনুষ্ঠানৰ সভাখনত সভাপতিৰ আসন অলংকৃত কৰে হালধীয়া জিলা পৰিষদৰ প্ৰাক্তন সদস্য শ্বহিদুল ইছলাম আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে লাচাংগা গাঁও পঞ্চায়তৰ সদস্যাৰ স্বামী ৰাশিদুল ইছলামে। বিধায়কৰ এই প্ৰচেষ্টাক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত মহাকুণ্ডমেলা আৰম্ভ



**ই-সংবাদ, পুৰণিগুদাম, ৪ ফেব্ৰুৱাৰীঃ** প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ নগাঁও জিলাৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে মহাকুণ্ডমেলা।নগাঁও চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অনুষ্ঠিত মহা কুণ্ডমেলাৰ আজি প্ৰথম দিনা অগণণ ভক্তৰ সমাগম হয় যদিও পূৰ্বৰ বৰ্ষৰ তুলনাত এইবাৰ মেলাত ভক্তৰ উপস্থিতি কম হোৱা দেখা যায়।নগাঁও জিলাৰ পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথ গড়মূৰ তিনিআলিৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ পুব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ অঞ্চল চাপানালা।নগাঁও-কাৰ্বিআংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেমী নামৰ পাহাৰখনৰ বুকুৰ পৰা শিলৰ ফাঁকেৰে নামি আহিছে উত্তৰ-পূব ভাৰতৰ অন্যতম সৰ্ববৃহৎ জলপ্ৰপাতত চম্পাৱতী জলপ্ৰপাতত।অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যে চহকী উত্তৰ-পূব ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতীয়ে ইতিমধ্যে দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।কথিত আছে যে, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত স্নান কৰিলে পূণ্য অৰ্জন হয়।সেইবাবেই প্ৰতিবছৰে মাঘ মাহত সৰস্বতী পূজাৰ পিছদিনা আজিৰ দিনটোত চম্পাৱতী জলপ্ৰপাতত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাবেশ ঘটিছে।মাঘী সপ্তমী তিথিত চম্পাৱতী কুণ্ডত স্নান কৰিলে ৰোগ-ব্যাধি দূৰ হোৱাৰ লগতে পূণ্য অৰ্জন হয় বুলি জনবিশ্বাসৰ বাবেই এই জলপ্ৰপাতত আজিৰ দিনটোত জনসমুদ্ৰত পৰিণত হয়।মাঘী সপ্তমী তিথিত সকলোৱে মনৰ কামনা পূৰণৰ বাবে চম্পাৱতী জলপ্ৰপাতস্থলীত চাকি-বন্তি জ্বলায়। মহাকুণ্ডমেলালৈ ঘৰৰ পৰা আহিব নোৱাৰা লোকৰ বাবে বটল বা তেনেধৰণৰ পাত্ৰত জলপ্ৰপাতৰ পানী নি দিয়াটোও পূণ্য অৰ্জনৰ কাম বুলি জনবিশ্বাস চলি আহিছে।কিংবদন্তী অনুসৰি, মহাভাৰতত বৰ্ণিত হংসধ্বজ ৰজাৰ কন্যা চম্পাৱতীয়ে প্ৰতিবছৰে মাঘ মাহৰ শুক্লা সপ্তমী তিথিত শিৱ আৰাধনা হেতু উক্ত জলপ্ৰপাতত স্নান কৰি শিৱৰ বৰ লাভ কৰি পূণ্য অৰ্জন কৰিছিল। সেইবাবেই এই জলপ্ৰপাতৰ নাম চম্পাৱতী হয় বুলি কিংবদন্তী প্ৰকাশ। মেঘালয়ৰ বিদন-বিছূপ জলপ্ৰপাতকৈও বৃহৎ এই চম্পাৱতী জলপ্ৰপাত লৈ পৰ্যটকৰ আকৰ্ষণৰ বহুগুণে বৃদ্ধি পাইছে।এই জলপ্ৰপাতত আছে এক সুন্দৰ বনভোজ খাব পৰা পৰিবেশ।জলপ্ৰপাতৰ নামনিত আছে চাহ বাগিছা।ইয়াৰ উপৰিও বনভোজ খাব পৰাকৈ সুকীয়া স্থান থকাৰ বাবে নৱেম্বৰ মাহৰ পৰা মাৰ্চ মাহ পৰ্যন্ত এই জলপ্ৰপাতত অসংখ্য বনভোজ দলে ভিৰ কৰে। চাপানালাৰ চম্পাৱতী কুণ্ড নামেৰে জনাজাত এই জলপ্ৰপাতটো তিনিটা ভাগত বিভক্ত। তল কুণ্ড, মাজ কুণ্ড আৰু ওপৰ কুণ্ড।এই জলপ্ৰপাতটোলৈ উঠা-নমা কৰা চিৰি নথকাৰ বাবে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হয় জলপ্ৰপাতলৈ অহা অগণণ লোকৰ লগতে বনভোজৰ দলসমূহ।বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই জলপ্ৰপাতস্থলীত ক্ষেত্ৰ অধ্যয়নৰ বাবেও আহে।এনেক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে জলপ্ৰপাতটোলৈ উঠা-নমা কৰাৰ বাবে চিৰিৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীৰ লগতে পৰ্যটক আৰু বনভোজ দলসমূহে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰিব।অহা কাইলৈও চম্পাৱতী জলপ্ৰপাতৰ মহাকুণ্ডমেলাত ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটিব।

# ৰাইদঙীয়াৰ ক'ৰচুং সত্ৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ ক'ৰচুং সত্ৰত দেওঁবাৰে কিডনী তথা প্ৰস্ৰাৱজনিত সমস্যাত ভুগি থকা লোকসকলৰ বাবে এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। ইষ্টাৰ্ণ ষ্টন এণ্ড কিডনী ফাউণ্ডেশ্যনৰ উদ্যোগত তথা ইনষ্টিটিউট অব ইউৰ'লজি এণ্ড কিডনী ডিজিজেছ চমুকৈ আই ইউ কে ডি আৰু সোনাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ সহযোগত আয়োজিত এই স্বাস্থ্য পৰীক্ষা শিবিৰটি পুৱা ১০ বজাৰ পৰা স্থানীয় ক'ৰচুং সত্ৰ ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। এই শিবিৰত কিডনী ষ্টোনৰ সমস্যা, প্ৰষ্টেট গ্ৰন্থিৰ সমস্যা, কিডনী বিকল হোৱা, পুৰুষ আৰু মহিলাৰ প্ৰস্ৰাৱৰ সমস্যা, কিডনী, ব্লাডাৰ আৰু প্ৰষ্টেট কেঞ্চাৰৰ লগতে পুৰুষৰ যৌন সমস্যাত ভুগি থকা লোকসকলক




বিশেষজ্ঞ চিকিৎসক ডাঃ অৰূপ কুমাৰ নাথৰ নেতৃত্বত এটি বিশেষজ্ঞ চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ দলে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষাৰ লগতে পৰামৰ্শ প্ৰদান কৰে। শিবিৰটোৰ আৰম্ভণিৰ পূৰ্বে সোনাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ সভাপতি প্ৰবীন হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত বিশেষজ্ঞ চিকিৎসক তথা ভাৰতৰ লেজাৰ মেন খ্যাত ডাঃ অৰূপ কুমাৰ নাথে শিবিৰটোৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সোনাইপৰীয়া ৰঙালী বিহু উৎসৱৰ উদযাপন সমিতিৰ সাংস্কৃতিক সম্পাদক অনুপ বৰাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত চেম্বাৰ্চ অৱ কমাৰ্চৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক নানু দাস, অৱসৰী অধ্যক্ষ প্ৰসন্ন কুমাৰ কলিতা, চিকিৎসক ডাঃ বিকাশ চৌধুৰী, ডাঃ ধন গায়ন, সমাজকৰ্মী নৱ কমল ৰাজা, প্ৰতিষ্ঠিত ব্যৱসায়ী সঞ্জয় সাহা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, বেদব্ৰত ৰাজা, বিজেপিৰ কৃষাণ মৰ্চাৰ কলিয়াবৰ জিলা সমিতিৰ নেতা গম্ভীৰ বৰা, সোনাইপৰীয়া ৰঙালী বিহু উৎসৱৰ উদযাপন সমিতিৰ বিষয়-ববীয়া ৰাজীৱ বৰা, অংকুৰ হাজৰিকা, বিচিত্ৰ বৰা, জয়ন্ত হাজৰিকা, সংগীতা বৰা, নিলোৎপল মুদৈকে ধৰি বহুকেইজন লোক উপস্থিত থাকে। বিয়লি সামৰণি পৰা উক্ত শিবিৰত প্ৰায় শতাধিক লোকৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শ প্ৰদান কৰা হয়।

# চাৰিশতাধিক খেলুৱৈৰ বিশেষ অংশগ্ৰহণেৰে তামুলপুৰত খেল মহাৰণ আৰম্ভ

**ই-সংবাদ, তামুলপুৰ, ৪ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত আৰু তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে খেল মহাৰণ ২.০ জিলা পৰ্য্যায়ৰ খেলসমূহ। খেল মহাৰণ ২.০ত আজি পুৱা পতাকা উত্তোলন কৰাৰ পিছতে আদৰণি ভাষণ ৰাখি জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয়, 'প্ৰথমতে ভিচিডিচি পৰ্য্যায়ত আৰম্ভ হোৱা খেলখন আজি জিলা পৰ্য্যায়ত অনুষ্ঠিত হৈ আছে। এইক্ষেত্ৰত অনাগত দিনত জিলা পৰ্য্যায়ৰ পৰা ৰাজ্যিক পৰ্য্যায়লৈ খেলুৱৈসকল গৈ চমকপ্ৰদ প্ৰদৰ্শন কৰিব বুলি আশা প্ৰকাশ কৰিছোঁ।' স্থানীয় বিধায়ক জলেন দৈমাৰীয়ে উদ্বোধন কৰা খেল মহাৰণৰ অলিম্পিক শিখা প্ৰজ্বলন কৰি খেল মহাৰাণৰ শুভাৰম্ভ কৰে প্ৰাক্তন আন্তৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ দেৱাশীষ ৰয়ে। জিলা আয়ুক্ত গৰাকীয়ে জনোৱা মতে পূৰ্বে বিধানসভা পৰিষদ পৰ্যায়ত নিৰ্বাচিত হোৱা খেলুৱৈসকলৰ পৰা খেল মহাৰণৰ ২.০ত আজি ৪৮৬ গৰাকী খেলুৱৈ অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাস, এমচিএলএ হেমন্ত কুমাৰ ৰাভা, জিলা ক্ৰীড়া বিষয়া, ক্ৰীড়া সন্থাৰ বিষয়াববীয়াসকল উপস্থিত থাকে।

# ছিপাঝাৰত দিবা-নৈশ ফুটবল প্ৰতিযোগিতা

**ই-সংবাদ, ছিপাঝাৰ, ৪ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ ছিপাঝাৰৰ নিৰনচুবাস্থিত অগ্ৰণী প্ৰতিষ্ঠান নৱ-মিলন যুৱক সংঘৰ ২৬সংখ্যক চলন্ত ট্ৰফী আৰু প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখনি এইবেলি দিবা-নৈশ কাৰ্য্যসূচীৰে অহা ৮ আৰু ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এলানি বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিতব্য প্ৰতিযোগিতাখনিত প্ৰথম পুৰস্কাৰ থাকিব ট্ৰফীসহ নগদ ৩৫০০১ টকা আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে থাকিব ট্ৰফীসহ নগদ ২৫০০১টকা। প্ৰতিযোগিতাখনিত লগতে শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ গল ৰক্ষকৰ বঁটা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখনত ইচ্ছুক ফুটবল দল সমূহক ৭০০২৮৬৭৭১১ নম্বৰত ফোন কৰি যোগদান নিশ্চিত কৰিবলৈ আহ্বান জনাইছে উদ্যোক্তাসকলে। একেদৰে ফুটবলপ্ৰেমী দৰ্শক ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে সংঘটোৰ কাৰ্যকৰ্তাসকলে।



নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেলত জয়ী শ্বাইন'ছ প্লেয়াৰ্ছ দল

## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত শ্বাইন'ছ প্লেয়াৰ্ছৰ জয়লাভ

# আখটাৰ, হুমায়ুনৰ বিশেষ ফৰ্মত বিধ্বস্ত ষ্টাৰ স্প'ৰ্টিং ক্লাব

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৪ ফেব্ৰুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটৰ প্ৰথম ৰাউণ্ডৰ খেলৰ লগত সংগতি ৰাখি নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা এ এন কিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১) ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ গুৰুত্বপূৰ্ণ খেলত শ্বাইন'ছ প্লেয়াৰ্ছে ৰঞ্জী ট্ৰফী দলৰ খেলুৱৈৰে সমৃদ্ধ তথা মাণ্ডলিকৰ ডিফেণ্ডিং চেম্পিয়ন ষ্টাৰ স্প'ৰ্টিং ক্লাবক ৩৫ ৰাণত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। খেলখনত ক্ৰীড়া সংগঠক বিদেশব্ৰত দত্ত আৰু সমীৰ হাজৰিকাৰ দল শ্বাইন'ছ প্লেয়াৰ্ছে পোনতে বেট ধৰি আখটাৰ আলীৰ-৪২, হুমায়ুন ৰছিদ আহমেদৰ-৪১, নৱজিত ঘোষৰ-২৮, মনীষ কুমাৰ যাদৱৰ-১৮, ঋষীৰাজ মাৰামচাৰ-১১ আৰু ধন মেধিৰ-১১ ৰাণৰ উল্লেখনীয় বৰঙণিৰে ৩৫ অভাৰত নটা উইকেটৰ বিনিময়ত ২০৭ ৰাণ সংগ্ৰহ কৰে। বলিঙত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ ৰাহুল ইছলামে তিনিটা, মৃন্ময় দত্তই দুটা, ধৰণীধৰ ৰাভা, ত্ৰিলোচন সিং, অক্ষয় কুমাৰ ডেকা আৰু দেৱজিৎ বৰুৱাই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ষ্টাৰ স্প'ৰ্টিং ক্লাব দলটোৱে ভাৰ্গৱজ্যোতি দাসৰ-৩২, বিশ্বজিত চমুৱাৰ-২৫, আচিফ ৰাচিমুল হকৰ-২৩, ধৰণীধৰ ৰাভাৰ-১৯, চাহিল আলিৰ-১৫ আৰু দেৱজিৎ বৰুৱাৰ-১০ ৰাণৰ উল্লেখনীয় অৱদানৰে ২৯ অভাৰত ১৭২ ৰাণ সংগ্ৰহ কৰোতেই সকলোকেইটা উইকেটৰ পতন ঘটে। বলিঙত শ্বাইন'ছ প্লেয়াৰ্ছৰহৈ অধিনায়ক ইজাজ হুছেইনে তিনিটা, আখটাৰ আলি, হুমায়ুন ৰছিদ আহমেদ, ধন মেধি, এছ কৃষ্ণ ৰাও, গীতাৰ্থ বৰা আৰু ঋষীৰাজ মাৰামচাই এটাকৈ উইকেট দখল কৰে। নাৰায়ণ ৰাহা আৰু শৈলেন্দ্ৰ শৰ্মা আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত শ্বাইন'ছ প্লেয়াৰ্ছৰ আখটাৰ আলীক প্ৰাক্তন ক্ৰিকেটাৰ তীৰ্থব্ৰত মহন্তই প্লেয়াৰ অব দ্যা মেচৰ বঁটা আগবঢ়ায়।

# নামতিত ক্ৰিকেট প্ৰতিযোগিতা, যুৱ সমাজৰ 'আদৰ্শ বঁটা ২০২৪' প্ৰদান

**ই-সংবাদ, আমগুৰি, ৪ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলি গণক আদৰ্শ গাঁও যুৱ সমাজে বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈ আৰু জনপ্ৰিয় কণ্ঠশিল্পী নাহিদ আফ্ৰিনক প্ৰদান কৰিছে 'আদৰ্শ বঁটা-২০২৪'। উল্লেখ্য যে, গণক আদৰ্শ গাঁও যুৱ সমাজে এই বৰ্ষৰ পৰা সমাজত বিভিন্ন কৰ্মৰ জৰিয়তে বিৰল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হোৱা ৰাজ্যখনৰ দুগৰাকী ব্যক্তিক নিৰ্বাচিত কৰি 'আদৰ্শ বঁটা' নামেৰে বঁটা প্ৰদানৰ সিদ্ধান্ত লৈছে। সেই উদ্দেশ্য আগত ৰাখিয়েই পোন প্ৰথমবাৰৰ বাবে ২ ফেব্ৰুৱাৰী নিশা গণক আদৰ্শ গাঁও যুৱ সমাজৰ উদ্যোগত অনুষ্ঠিত পঞ্চম সংখ্যক সদৌ অসম ভিত্তিক প্ৰাইজমণি দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ উদ্বোধনী অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। উক্ত বঁটাত এখনকৈ ফুলাম গামোচা, চেলেং চাদৰ, জাঁপি, সম্বৰ্ধনা পত্ৰ, স্মাৰক, সাঁচি পুলি, এটুকুৰা সাঁচি গছৰ মূল্যবান অংশ, সাঁচি গছৰ সুগন্ধি তেল, প্ৰতিকী ৰংঘৰ আৰু অসমীয়া মুখৰোচক খাদ্য সম্ভাৰৰ টোপোলা প্ৰদান কৰা হয়। আনহাতে, এই বঁটা গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈয়ে অভিভূত হোৱা বুলি প্ৰকাশ কৰি বিশ্বৰ দৰবাৰত সাঁচি সদায় জিলিকি থাকক বুলি মন্তব্য কৰে। তেওঁ আদৰ্শ গাঁৱৰ যুৱকসকলক কৃতজ্ঞতা জনোৱাৰ লগতে ক্ৰিকেট খেলত মাজনিশা বঁটা গ্ৰহণ কৰি হাতত বেট লৈ খেলৰো উদ্বোধন কৰে। জনপ্ৰিয় কণ্ঠশিল্পী নাহিদ আফ্ৰিনে বঁটা গ্ৰহণ কৰি গণক আদৰ্শ গাঁও যুৱ সমাজক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে 'আদৰ্শ বঁটা' লাভ কৰাৰ পাছত তেওঁৰ দায়িত্ব আৰু বাঢ়িল বুলি মন্তব্য কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি